কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা



# সহস্ৰ কবিৰ সহস্ৰ কবিতা

## অষ্টম খণ্ড

প্ৰস্তুতি
সংস্কাৰধবনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

**Sahasra kobir Sahasra kobita**

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ জুলাই, ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

পৃষ্ঠপোষক
হিতেশ গোস্বামী

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

**সম্পাদনা সমিতি**

**মুখ্য সম্পাদক**
হিতেশ গোস্বামী

**কাৰ্যবাহী সম্পাদক**
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

**সন্মানীয় সম্পাদক মণ্ডলী**
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
হিতেশ গোস্বামী

## সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

### সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইণি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

### সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণব দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**

**সহযোগী সম্পাদক**

অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

ছেপিও চেক্সচুৰেল / মুকুট শৰ্মা ১৫
ক'ৰোনাৰো আছে অমোঘ নিদান / আমিনুৰ ৰহমান ১৬
ময়ুৰৰ সংসাৰ / ডাঃ চফিক আলেমা ১৭
এদিন বহু শব্দ মৰি থাকিব / লভিতা মেধী ১৮
ৰুদ্ধ নহয় মোৰ কণ্ঠ / আলমিনা পাৰবীন ১৯
নামি অহা বাটেৰেই / পাপৰি দেৱী ২০
বাটে-বাটে / গিৰিজা শৰ্মা ২১
আজিও এচেৰেঙা ৰ'দৰ হেঁপাহ / বৰষা গগৈ ২২
সন্ধান / ৰাহিদা ৰহমান (মমি) ২৩
বিপ্লৱ এটাৰ বয়স কিমান! / ৰৌচন আলী ২৪
এন্ধাৰৰ আলাপ / মঞ্জিৰা শৰ্মা ২৬
কোন তুমি / ৰমেন দাস ২৭
পথৰুঘাটে ৰিঙিয়াই / তাহেৰউদ্দিন আহমেদ ২৮
বাঞ্ছায় / ৰূপালী মিশ্ৰ গোস্বামী ৩০
প্ৰতিযোগিতা/ নিশা চক্ৰৱৰ্তী ৩১
স্বাধীনতা এতিয়া কিমান দূৰ সত্য / বৰ্ণালী আৰন্ধৰা গগৈ ৩২
অবনৰীপৰীয়া কনেংজনী/ বিশ্বজিৎ ডি চেতিয়া ৩৩
অবুজন হৃদয় / লক্ষ্যজ্যোতি শৰ্মা ৩৪
মন যায় / পল্লৱ কুমাৰ বৰা ৩৫
তোমাৰ পৰশ / আঞ্জুমা বেগম (ববি) ৩৭
অন্বেষণ / মামণি বৰুৱা বৰা ৩৮
সজীৰিত প্ৰাণ / সৰোজিনী বসুমতাৰী ৩৯
কলংকিত ৰাধা / শ্বেলী ৪০
চৰিত্ৰ গঠন / অশ্বিনি কোঁৱৰ ৪১
বসন্তৰ আগমন / মোঃফুলবৰ আলী ৪২
যুদ্ধ নালাগে আমাক / চৈয়দা মিনাৰা ৰহমান ৪৩
তোমালৈ মোৰ শেষ চিঠি / আব্দুৰ ৰশিদ ৪৪
আহিবা নে?/ ড° মহঃ ছহিদুল ইছলাম ৪৫
আনন্দৰ অশ্ৰুধাৰা / ববিতা বৰ্মণ ৪৬
জীৱন জীৱন বৰ অনুপম / মনালিচা পপি শইকীয়া ৪৭
সোণালী শৈশৱ / বকুল সূত ৪৯
তুমি আৰু মই / শেৱালী হাজৰিকা ৫০
বন্ধুত্ব / বিশ্বজিৎ সূত ৫১
নদী আৰু নাৰী / মৌচুমী বৰঠাকুৰ গোস্বামী ৫২
ম'হ্নি / নিৰ্মিতা বৰগোহাঁই ৫৩
জীয়া মানুহ / মফিদা বেগম ৫৪
শ্মশান / জয়শ্ৰী ভট্ট ৫৫
দেশপ্ৰেম /অজয় কিশোৰ কলিতা ৫৬
মৃত্যুঞ্জয়ী /চফিকুল ইছলাম ৫৮
অৰুন্ধতী / অনিমা তালুকদাৰ দত্ত ৫৯
মই ৰজাৰ ইতিহাস হ'ব খোজো / ত্ৰিদিৱ চৌধুৰী ৬০
পৰিবাৰ / মেৰাজ ৰাচিকুৰ ৰহমান ৬১
নাহৰৰ সুবাস / অণু দেৱী ৬২
সাৱধান / চমক কুমাৰ ৬৩
সূৰ্য্য / অঞ্জনা বৰুৱা ৬৪
ইয়াত এখন চহৰ আছিল / বিপুল শৰ্মা ৬৫
শুকুলা চাদৰখন / পল্লৱী গগৈ ইনী ৬৬
কি উত্তৰ দিবি অ' প্ৰজাপতি / মীৰা ৰাজখোৱা ৬৮
তুমি মোৰ কবিতাৰ নাম / সত্যজিত গগৈ ৬৯
'দুখৰ আল্পনা' / প্ৰাণজিৎ ৰায় চৌধুৰী ৭০
এমুঠি জোনাক বিচাৰি / মনীষা শইকীয়া (বানী) ৭১
মা / ব্ৰহ্মদেৱ গোস্বামী ৭২

**কবিতা** / **অৰ্পিতা লাহন চেতিয়া** ৭৩
**তাইৰ খোদিত ভাস্কৰ্যবোৰ / হৰেন দুৱৰা** ৭৪
**আলি আঃয়ে লৃগাং**
**/ লাৱণ্য ৰাণু ফুকন** ৭৬
**দ্ৰৌপদীৰ আত্মগাঁথা** / কল্যাণী দেৱী গোস্বামী ৭৭
**চাদৰ** /ৰীতা বৰুৱা ৭৮
**অনন্তধামলৈ আমন্ত্ৰণ** / ৰিণ্টি শৰ্মা ৭৯
**যি বাটেৰে তেওঁ আহিছিল** / ৰীতা ৰাণী মালী ৮০
**আপুনি মোৰ প্ৰেমত**
**নপৰিব** / ৰীণু বৰঠাকুৰ ৮১
**চিনিক** / ৰুবুল দাস ৮৩
**হাঁহিৰ আঁৰৰ ব্যাথা** /মুনমী স্নিগ্ধা গুঞ্জন ৮৪
**গান গায় ভালপোৱা ছোৱালীজনীৰ দেশলৈ** / পংকজ জইসী ৮৫
**বানে গৰকা গাঁওখনি** /সুমিত্ৰা দাস ৮৬
**ধুমুহা হৈ অহা কিয় তুমি** / অনুপম দাস ৮৭
**চশমা** / কিৰণ দাস ৮৮
**আমি এজাক ধৰ্ষিতা** / কাঞ্চন সাউদ বৰা ৮৯
**আলই-আথানি স্বপ্ন আৰু জীৱন / শংশাকৰ বৰুৱা** ৯০
**কিয় প্ৰকাশ কৰি থাকিব লাগে বাৰে বাৰে** / বসন্ত নিবিড় ৯১

❖❖❖

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা.. ।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

***শ্ৰদ্ধা আৰু ভক্তিৰে***

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# কৃতজ্ঞতা

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবিসকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীব বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি



## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস 'সহস্ৰ কবিৰ সহস্ৰ কবিতা'

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে 'কবিতা'। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সুত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থববেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টায়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ *জয়তু ভাষা জননী* ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**
**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# ছেপিওচেক্সচুৰেল

**মুকুট শৰ্মা**

প্ৰেমত পৰাৰ উৎসাহত
আপুনি ভৰবাৰিষাৰ
বৰষুণৰ দৰে  উফন্দি থাকে,
অথচ আপুনি  প্ৰেমত পৰিব নোৱাৰে।

প্ৰেমত পৰাৰ হাবিয়াস এটাই
খুলি খুলি খাই আপোনাৰ ভাৱনা
অথচ, আপুনি সিদ্ধান্ত লব নোৱাৰে ।

প্ৰেয়সীৰ যৌন আকৰ্ষণত  দৃষ্টি  নেহেৰাই,
হেৰায় মেধাৰ আকৰ্ষণত ।
যৌনতাৰ অনুভূতিক ঠেকেছা মাৰি থৈ
প্ৰেয়সীৰ মগজুত বিচাৰে সাত সাগৰৰ মাণিক।

যৌনতাৰ সলনি আপুনি বিচাৰে
বৌদ্ধিক সংযোগ।
জটিলতাৰ সলনি সৰলতাৰ পৃষ্ঠপোষক।

সঁচাকৈ আপুনি অনন্য
ছেপিও চেক্সচুৰেল ।।

# ক'ৰোনাৰো আছে আমোঘ নিদান

আমিনুৰ ৰহমান

কুৰুক্ষেত্ৰ, কলিঙ্গ, দুখনকৈ মহাযুদ্ধৰ পিছতো
পৃথিৱী হোৱা নাই ধ্বংস
নিপাত হোৱা নাই মনুষ্য প্ৰজাতি,
ছুনামী, আগ্নেয়গিৰি, বিধ্বংসী ভূঁইকঁপেও
স্থবিৰ কৰিব পৰা নাই মানুহৰ জয়যাত্ৰা,
হিটলাৰৰ অলেখ নৃশংস নৰবধী শিবিৰ,
শত শত বছৰৰ বিপুল ৰক্তক্ষয়ী ক্ৰুছেড
আৰু কত শত নৰমেধ যজ্ঞয়ো
অবনমিত কৰিব পৰা নাই
মনুষ্যকুলৰ বিজয় ধ্বজা,
কলেৰা, মহামাৰী, ক'লাজ্বৰ মেলেৰিয়া,
ব্লেক ডেথ, স্পেইনীছ ফ্লু, প্লেগ, ডেঙ্গু
আৰু কত মাৰি-মৰকৰ চামনি
মানুহৰ সভ্যতাৰ বুকুত আজিও প্ৰকট,
তাৰ পিছতো অব্যাহত মানুহৰ
এভাৰেষ্ট বিজয় যাত্ৰা,
চন্দ্ৰাভিযান, মঙ্গলাভিযান,
কাৰণ মানুহৰ সভ্যতা অপৰাজেয়, অপ্ৰতিৰোধ্য...

কোনে ক'লে ক'ৰোনা "অপৰাজেয়"?
তেনেহ'লে কিয় সি চীনত মানুহৰ পদানত?
মনত ৰাখিবা বন্ধুগণ,
মানুহৰ সমান নাই কোনো আন
ক'ৰোনাৰো উলিয়াব অমোঘ নিদান!

# ময়ুৰৰ সংসাৰ

ডাঃ চফিক আলেমা
বাঘৰবৰি সাতগাঁও

বনৰ ময়ুৰে
তাৰ কৰ্কশ চিঞৰেৰে কেকাধ্বনি দিলেও,
মিঠা মিঠা প্ৰেমৰ কথা ক'লেও,
ময়ুৰীবোৰ কাষ চাপি নাহে ।
দৃষ্টিনন্দন পাখিবোৰ বতাহত জোকাৰি
চালি ধৰি নাচিলেহে
ময়ুৰীবোৰ প্ৰেম পাগল হৈ
কাষ চাপি আহে ।

ময়ুৰে ময়ুৰীক কি দিব পাৰে?
মাথোঁ দিয়ে "ক্লকাৰ চুম্বন" ।
অথচ এজনী নহয়, দুজনী নহয়,
কেইবাজনী ময়ুৰীৰ স'তে দলবান্ধি,
ময়ুৰে তাৰ সংসাৰ পাতে ।
সৌন্দৰ্যৰ মহিমা অপাৰ!

# এদিন বহু শব্দ মৰি থাকিব

**লভিতা মেধী**
ৰঙিয়া, শান্তিপুৰ

চিঞৰিব খুজিছোঁ নে মনে মনে আছোঁ
এই যেন এটা চিঞৰ মাৰিলোঁ
আৰু কোনেও নুশুনিলে

বুকুৰ শব্দবোৰ বুমেৰাং হৈ
বুকুতে পিন্ধিলে

কলমবোৰ কোনে কিনি লৈ গ'ল

কবিতা এটাৰ বুকুত শব্দবোৰে
চিঞৰি চিঞৰি কান্দিলে

মই চকু কাণ মুদি গুচি আহিলোঁ
কবিতাবোৰ জপাই থ'লো

নিজেই নিজক ক'লো
এনেকৈয়ে হয়তো কান্দি কান্দি
এসময়ত বহুত শব্দ মৰিব
এনেকৈয়ে হয়তো চকু কাণ জপাই
মানুহবোৰ চিৰদিনলৈ বোবা কণা হ'ব

ভাল দিনৰ অপেক্ষাত থকা বোৰে
এদিন ভুলবোৰ বুজি হাঁহিব আৰু ক'ব
আমি যে ইমান বুৰ্বক আছিলোঁ
লিখা কথাবোৰ বিশ্বাস কৰিছিলোঁ
কোৰা কথাবোৰ শুনিছিলোঁ
আৰু ৰৈ আছিলোঁ
এটা ভাল দিনলৈ।।।

# ৰুদ্ধ নহয় মোৰ কণ্ঠ

**আলমিনা পাৰবীন**
হাউলী টাউন, বৰপেটা

ৰুদ্ধ নহয় মোৰ কণ্ঠ
চিএঞৰি গাবলৈ ন্যায়ৰ গান,
অপেক্ষা কৰি আছোঁ মাথোঁ...
চিয়াঁহীও শেষ হোৱা নাই মোৰ কলমৰ
নৈতিকতাক সোঁৱৰাই দিবলৈ,
নিয়তিলৈ বাট চাইছোঁ মাথোঁ... ।
যিদিনা ধৈৰ্যৰ বান্ধ সুলকিব
অন্যায়ে হাহাকাৰ কৰিব !
বাজিব ৰণ ডংকা আৰু কাণ ফাটি যোৱা উৰুলি !
মোৰ কলমৰ দ্বাৰ খোল খাব সেই শব্দত।
জ্বলিব জুই সিদিনা,
নদী,সাগৰ অথবা মোৰ চকুপানীত !
সেই জুইৰ লেলিহান শিখাই
তোমালোকে আত্মসাৎ কৰি গঢ়া অট্টালিকবোৰ
পুৰি ছাৰখাৰ কৰিব !
আকাশ ধোঁৱাময় হ'ব !
সিদিনা বিস্ফুটিত হ'ব এটি এটি শব্দ
তোমালোকক নাঙঠ কৰিবলৈ।
তোমালোকৰ কু চৰিত্ৰ খোল খাব সেইদিনা।
ঢাকিব নোৱাৰিবা নিজকে
অন্যায়ৰ ময়লা চাঁদৰেৰে...
ৰুদ্ধ নহয় মোৰ কণ্ঠ,
মই বাট চাই আছোঁ মাথোঁ... !

# নামি অহা বাটেৰেই

**পাপৰি দেৱী**
পখুৰা, নলবাৰী

এইবাটেৰেই চলি থাকে অহা যোৱা
প্ৰতিটো খোজত ভাগৰি নপৰা
সপোনৰ সমীকৰণ
তৃষ্ণাতুৰ চকুত গুজি দি
এমুঠি সুখৰ ঠিকনা
আঙুলিৰ ফাঁকেৰে সৰকি যায়
মৌনতাৰ দুখৰীয়া ছবি,
কব লগা কথাবোৰ বৈ যায়
জাউৰিয়ে জাউৰিয়ে সৰে
অভিমানৰ দস্তাবেজ!!

এইবাটতেই হেৰাই
বেলি ডুবাৰ আবেলি পৰ
নীড়মুখী চৰাইবোৰেও
ডেও দি পাৰ হৈ যায়
বিষাদবোৰ সামৰি...
ডেউকা কোবাই উৰি যায়
স্নিগ্ধ জোনাকৰ বালিচন্দা,
আলসুৱা সুৰ এটাই কপায়
ভটিয়নী নৈৰ পাৰঘাট

সপোনে সুবাস চটিয়াই
নতুন জীৱনে সাৰ পায়,
সজাবলৈ জীৱনৰ ৰঙীন পৃষ্ঠা
শূন্যতাৰ মোহনাত সুৰ তুলি
সজীৱ কৰো সমগ্ৰ সত্বা,
দুখৰ অৱগুণ্ঠন আঁতৰাই
উশাহে উশাহে সিঁচি দিওঁ
পাহ পাহ জোনাক ...
বৈ পৰে সুখৰ বন্যা!
দুখবোৰ কুণ্ডলী পকাই উৰি যায়
নামি অহা বাটেৰেই।।

# বাটে-বাটে

**গিৰিজা শৰ্মা**

কলিতাপাৰা, গোৱালপাৰা

এটা সীমালৈকে
এটা সময়লৈকে
তুমি মোৰ।
সোঁৱৰণীৰ পৰুৱালানি বৰ কৰ্তব্যপৰায়ণ
বজ্ৰাঘাতো নেওচিব পাৰে

এদিন ময়ো আছিলোঁ আন ক'ৰবাত
সীমা অতিক্ৰমী
সময় অতিক্ৰমী
জাহ গ'লোঁ তোমাত
অমোঘ বান্ধোন
হেঁপাহৰ
সপোনৰ

বগা কাপোৰেৰে ঢকা
শেষ সীমনাত
কাৰ কি মাত্ৰা
বুকুৰ বাটৰ পৰুৱালানিৰ
মাথোঁ ... অবিৰত যাত্ৰা।

# আজিও এচেৰেঙা ৰ'দৰ হেঁপাহ

**বৰষা গগৈ**
মৰাণ, ডিব্ৰুগড

কথাবোৰ
তোমাৰো হেৰাল
মোৰো,
অভিমানৰ আঁচলেৰে
ঢকা হ'ল সৰ্বত্ৰ
তোমাৰো
মোৰো,

সোণপৰুৱাৰ সপোন থলীত
এৰি আহিলো
আমাৰ খোঁজ
উভতি চোৱাৰ হেঁপাহ নাছিল
উজুতি খোৱাৰ শংকাত
তোমাৰো
মোৰো,

ৰ'দ এচেৰেঙাৰ আশাত
আজিও অপেক্ষাৰত
মেঘে ঢকা আকাশলৈ চাই
তুমিও
মইয়ো,

সমুদ্ৰৰ গৰ্জনত
গাঢ় হৈছিল নীৰৱতা
হৃদয়ত,
সোণপৰুৱা বুটলা সপোনটো
চূৰ্ণীকৃত হৈছিল
প্ৰতিদিনে,

তথাপিও...
আশাৰ বালিঘৰ সাজোঁ
অভিমানৰ আঁচল ফালি
এচেৰেঙা ৰ'দৰ
তুমিও
মইয়ো,

# সন্ধান

**ৰাহিদা ৰহমান (মমি)**
শিৱসাগৰ

আঁউসীৰ আন্ধাৰে ৰাতিটোক ঢাকি থোৱাৰ
সুবাদতে
নদীখন একা-বেঁকা বাটেৰে পলাই গ'ল।

নদীৰ খোজ বিচাৰি বিচাৰি
নিমাতী পাহাৰৰ বুকুয়েদি বগাই
কত'জন যে আহিল-গ'ল...
নদীখনৰ দুভৰিৰ খলা-বমাবোৰে ক'লে,
নদীখন হেনো সাগৰৰ বুকুত বিলীন হ'ল।

এতিয়া আকাশেও বিচাৰে প্ৰায়েই,
নদীৰ চিনাকি মুখখন সাগৰৰ মাজত ;
সন্ধিয়া পৰত যেতিয়া ভাগৰত ক্লান্ত হৈ
ঢলি পৰিব খোজে আপোনজনৰ বক্ষত।

# বিপ্লৱ এটাৰ বয়স কিমান !

**ৰৌচন আলী**
শিৱসাগৰ

ফৰাচী বিপ্লৱৰ পৰা
ৰুছ বিপ্লৱলৈ
ৰেঁনেসাস বিপ্লৱৰ পৰা
শিল্প বিপ্লৱলৈ
বাৰ্ধক্যহীন পৃথিৱীয়ে
পিঠিত কঢ়িয়াই ফুৰিছে
সূৰ্য-তাপৰ ছাই ।

বিপ্লৱ এটাৰ বয়স কিমান !

ইমানবোৰ বিপ্লৱৰ পাছতো
বিপ্লৱ এটাৰ বয়স নজনাকৈয়ে
মানুহবোৰ বিপ্লৱী হয় ।

সিহঁতৰ খোজত
সলনি নহয় ফুটপাথৰ ৰং
অথবা জুইৰ বৰণ ।

ইমানবোৰ বিপ্লৱৰ পাচতো
সেউজীয়া হোৱা নাই বৰষুণৰ টোপাল
ইমানবোৰ বিপ্লৱৰ পাচতো
বিহবোৰ হোৱা নাই অমৃত ।

ইমানবোৰ বিপ্লৱৰ পাচতো
মানুহবোৰ গৈ আছে কলৈ,
ইমানবোৰ বিপ্লৱৰ পাচতো
মানুহবোৰ ৰৈ আছে ক'ত !

ৰাজপথত কোনোবাই বেসুৰীয়া চিঞৰ মাৰিলে
কোনোবাই কয়- এয়া বিপ্লৱৰ গান,
কাউৰীয়ে কা কৰিলে
পোহৰ নাহে পৃথিৱীলৈ,
কাউৰীয়ে জানে
পোহৰ হ'লেহে মাতিব লাগে
আন্ধাৰত চিঞৰিলে বিপ্লৱ নাহে ,
বিপ্লৱী নোহোৱাকৈ কোন ক'ত আছে ?

বিপ্লৱবোৰ চুঁচৰি-চুঁচৰি
চহৰৰ ডাঙৰ-ডাঙৰ হৰ্ডিঙত উঠে,
দৌৰি ফুৰে পাচে-পাচে
কেমেৰাৰ লেন্স
অথবা এটা লক্ষ্যচ্যুত চেটেলাইট।

বিপ্লৱৰ বয়স কিমান ?

ঘুণপোকে খায়
বিপ্লৱৰ বয়স,
বিপ্লৱ ছিটিকি পৰে
জুইৰ ফিৰিঙতি হৈ ৰাজপথত,
খান্দৱ দাহ হ'বলৈ ৰৈ আছে বিপ্লৱ
খান্দৱ দাহলৈ আৰু কিমান পৰ !

বিপ্লৱী নোহোৱাকৈ কোন ক'ত আছিল ৰৈ
কোন ক'ত আছে ৰৈ !

# দ্বিতীয় ভাগ

**সম্পাদনা**

ৰঞ্জনা পাঠক



# এন্ধাৰৰ আলাপ

**মঞ্জিৰা শৰ্মা**
গুৱাহাটী, জু-ৰোড

নিশাৰ এন্ধাৰৰ সতে তাই
একাত্ম হৈ পৰিছিল
পিত্-পিত্ কৈ খেপিয়াই
বুকুলৈ আজুৰি আনিছিল
বৰ্ণিল অতীতৰ
অলেখ স্বৰ্ণিল স্মৃতি
বুকুৰ সঘন ধপধপনিয়ে
তাইক সোঁৱৰাই দিছিল
হিয়াৰ বাগিচাত
বহুদিন ৰঙা গোলাপ
নুফুলাৰ কথা
সংগোপনে লহপহকৈ
বাঢ়ি অহা অভিমান যেন
তাইৰ অবৈধ সন্তান
বৈধতাৰ ব্যাখ্যা
আজি মাথো কেইটিমান
মূল্যহীন শব্দ
মৰমবোৰ সাধুকথা হৈ
বুকুত বিন্ধা হ'ল
উশাহবোৰ জীৱন জীয়াবলৈ
নহয়
মাথো জীয়াই থকাৰ
সঁজুলি হ'ল
চকুলো যেন জীৱন মৰুৰ
বালি তিয়াব নোৱাৰা
এটুপি পানী হ'ল
আৰু তাই?
তাই যেন 'তাই' নহৈ
প্ৰয়োজনত ব্যৱহৃত
এটি সামগ্ৰীলৈ
ৰূপান্তৰিত হ'ল।।

# কোন তুমি

**ৰমেন দাস**
লখৰা , গুৱাহাটী

কাষত তুমি তেনেই কাষত
হাতত জেতুকাৰ বোল
তগৰ কেতেকী ফুল সানি
জোনাক নিশাৰ অতুল্য স্নিগ্ধৰাণী

দুচকুত কিয়
স্বপ্নবিভোৰ হাঁহি মাৰি
জিলিকি থাকা তুমি মন মোহিনী।

ৰিমঝিম বৰষুণৰ ৰাতি
তোমাৰ বুকুৰ উষ্মা লৈ লৈ,
দেহৰ অগনিয়ে জানে প্ৰিয়া
প্ৰেমৰ উচ্ছল মধু জলতৰঙ্গ;

জীপাল এই বিমল সময়
সদ্যস্নাতা যৌৱনা মধুৰ নিশা
মুখনিৰ তিলগুটি নয়ননিলয়

তোমাৰ লহপহীয়া চুলিটাৰিৰে
খোঁপাত গোঁজা কপৌপাহি
হিয়াৰ আঁচলৰ ভাঁজে ভাঁজে জিলিকিছে
হেঁপাহৰ প্ৰাণভৰা মন সৰোবৰ।

যেন নীলসাগৰৰ ঢৌৰ এছাটি মৃদু চোৰঁৰ
জুৰ পেলালে মোৰ দেহ-মন
জোনাক গলা পূৰ্ণিমাৰ মধুৰ নিশাৰ শুভক্ষণ।

# পথৰুঘাটে ৰিঙিয়াই

(পথৰুঘাটৰ ৰণত আত্মবলিদান দিয়া সকলো জ্ঞাত আৰু অজ্ঞাত বীৰ শ্বহীদৰ স্মৃতিত)

**তাহেৰউদ্দিন আহমেদ**
জালুকবাৰী, গুৱাহাটী

আত্মবলিদান
সাহস
ত্যাগ আৰু দেশপ্ৰেমৰ
অপূৰ্ব চানেকি
মই দৰঙীয়া পথৰুঘাট
ইতিহাসৰ বীৰগাথাৰে সমৃদ্ধ দলিল

২৮ জানুৱাৰী, ১৮৯৪
বহিছে ৰাইজমেল
কৃষকৰ ৰাইজমেল
মেলত জ্বলি-পকি উঠিছে ৰাইজ
নামানো ইয়াণ্ডাবু সন্ধি
নামানো বৃটিছৰাজ
নিদিও বিদেশীক কৰ
চিঙি পেলাম শোষণৰ বাঘজৰী
মোৰ দেশৰ মাটিত মোৰ খেতি
ঘামৰ ফচল, মুখৰ ভাত
নোৱাৰিব নিব কোনেও কাঢ়ি

জিলাধিপতি এণ্ডাৰশ্যন
মহকুমাধিপতি বেৰিংটন
তহচিলদাৰ ভবানী চৰণ ভট্টাচাৰ্যই
কৰিব নোৱাৰিব অসমীয়াৰ ঘামৰ দৰ
ৰচিব নোৱাৰিব খাজনা বৃদ্ধিৰ
বিধ্বংসী মহাজাল

ডাক বঙলাত বাহৰ পাতিছে
ইংৰাজ চাহাব
পালি-পহৰীয়া বন্দুকধাৰী চিপাহী
সেউজীয়া পথাৰত
জুম বান্ধিছে কৃষকৰ দল
জ্বলি উঠিছে ক্ষোভৰ অগ্নি
কান্ধত নাঙল
হাতত এচাৰি
দলে-বলে আগবাঢ়িছে কৃষকৰ দল
ভয়ত কম্পমান
জিলাধিপতি- মহকুমাধিপতি
আৰক্ষী বাহিনী
হিন্দু-মুছলমান কৃষক একগোট হ'ল
হৰিবোল, হৰিবোল
আল্লাহু আকবৰ, আল্লাহু আকবৰ
ধ্বনিৰে কঁপাই তুলিলে আকাশ-বতাহ
আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে
আৰম্ভ হ'ল মহাৰণ
পুলিচৰ নিৰ্বিচাৰ লাঠিচালনা
ৰাইজৰ শিল বৰষুণ, লাঠিৰ কোব
নিমিষতে চোঁ মাৰি ওলাল
ফুকুলু শ্বেইখ, থগা বৈদ্য
আৰু হাজাৰজন ।।

টাঙোনৰ কোবত বাগৰি পৰিল
মহাপ্ৰতাপী আৰক্ষী কামাণ্ডাৰ
ভাহি আহিল মহকুমাধিপতিৰ
টেটুফলা চিয়ৰ
ফায়াৰ ফায়াৰ
সেউজীয়া পথাৰখন ৰাঙলি হ'ল
আকাশে-বতাহে সিঁচৰতি হ'ল
তেজৰ চেঁকুৰা ।।

এশ চল্লিশজনৰ শৱ-দেহৰ
তেজৰ ঢৌৱে বোৱাই নিলে
হেজাৰ হেজাৰ কৃষকৰ ভৰিৰ
সেউজীয়া মাটিৰ গোন্ধ
স্মৃতিৰ ধূসৰ পাতত
ভোঁটাতৰা হৈ জিলিকি ৰৈ গ'ল
কৃষকৰ বিপ্লৱী জোঁৱাৰ-ভাটা
ইতিহাস সাক্ষী হৈ ৰ'ল
শোষণ- উৎপীড়ন
অত্যাচাৰ- নিপীড়ণৰ
জীয়া জ্বালামুখীৰ কৃষক
বিদ্ৰোহ নামেৰে

শত শ্বহীদৰ
আত্মত্যাগৰ
শিহৰণকাৰী বিদ্ৰোহৰ উকমুকনিয়ে
প্ৰতিষ্ঠা কৰিলে ভাৰত ত্যাগ
আন্দোলনৰ আখৰা
সোণালী আখৰে লিপিবদ্ধ হ'ল
সাহস, ত্যাগ আৰু দেশপ্ৰেমৰ গাথা
অসমীয়া বীৰত্বৰ চানেকী
পথৰুঘাট
পথৰুঘাটে আজিও ৰিঙিয়াই।।

# বাঙ্ময়

**ৰূপালী মিশ্ৰ গোস্বামী**
ৰংভূমি , গুৱাহাটী

অন্তহীন ব্যস্ততা মেঘবোৰৰ
দুৰ্বাৰ গতিত লৰাঢপৰা...
নিৰলস প্ৰচেষ্টাৰে প্ৰশস্ত কৰিছে পথ
নীলাভ আকাশখনি শুভ্ৰতাৰে
সজাই ঢাপলি মেলিছে
নিজৰ গন্তব্য স্থানলৈ
কিয়নো
শৰৎ নামিব, শিশিৰ সৰিব
প্ৰকৃতি উন্মুক্ত
চাৰিওপিনে প্ৰশান্তিৰ প্ৰচ্ছায়া
আনমনা গছ- লতিকাই
মুকুতাৰ মালা পিন্ধি
ধৰণী সজাব
সোণত সুৱগা চৰায়
শাৰদী ৰাণীৰ চৰণত সমৰ্পিত হ'বলৈ
ৰৈ আছে শেৱালি
শেৱালিৰ স্নিগ্ধতাই  জগত বুৰাব
সুগন্ধি শেৱালিৰ সৌৰভত
মতলীয়া হৈ কহুৱাজনীয়ে
লাহি কঁকাল ভাঙি
সকলোৰে দৃষ্টি নিৰদ্ধ কৰিব
আস্।
প্ৰদীপ্ত শৰৎ  বৰ্ণনাতীত
মই-- বাঙ্ময়...।

# প্ৰতিযোগিতা

**নিশা চক্ৰৱৰ্তী**
গুৱাহাটী উজানবজাৰ

বহুৰূপী সভ্যতাৰ পোহৰত
নিঃশেষ হৈ যাব ধৰা
নাৰীৰ বেদনাৰ উচুপনি
কোনে শুনিব  সভ্যতাৰ নিষ্ঠুৰ
প্ৰতিযোগিতাত।

প্ৰতিযোগিতাৰ বেহাত
মাতৃ দিৱস, ভগ্নী  দিৱস
জীয়ৰী দিৱসত
চিনাকি দিওঁ মহানতাৰ
কবিতাৰ প্ৰতিযোগিতাত।
তুমিয়েই মাতৃ তুমিয়েই জননী
আস্ফালন চৌদিশে দেৱী আৰতিত,

তোমাৰ মঙহেই বৈৰী নাৰী।
নৈতিকতাৰ স্খলনৰ হাতত
ধৰ্ষিতা হ'ল আজি কুমাৰী
গতায়ুস হ'ব খোজা আই
অনাদৃত হ'ল নিঃসংগতাৰ
নিৰ্জন পথত গৰ্ভস্থ কু পুত্ৰৰ হাতত।

তুমিয়েই মাতৃ তুমিয়েই ত্যাগী
তুমিয়েই জননী
স্থান পোৱা কেৱল
শাৰদীয় দেৱীৰ আৰতিত
সভ্যতাৰ প্ৰতিযোগিতাৰ  বাকৰিত।।

# স্বাধীনতা এতিয়া কিমান দূৰ সত্য

**বৰ্ণালী আৰন্ধৰা গগৈ**
চৰাইদেউ, সোণাৰি

আজি ৭৪টা বছৰ হ'ল
দেশ স্বাধীন হোৱাৰ
কিন্তু কিমান স্বাধীন আমি
মহাত্মা তোমাকে সুধিছোঁ
তুমি এতিয়া গভীৰ নিদ্ৰাত শয়ণ কৰিছা
পাৰিছা জানো শান্তিৰে টোপনি যাব
সীমান্তৰ ইপাৰে-সিপাৰে
গুলি-বাৰুদৰ শব্দত
তুমি কেনেদৰে নিদ্ৰামগ্ন বাৰু
ভাৰি চাইচানে বাৰু তুমি
সীমান্তৱৰ্তী সেই নিৰীহ জনতাৰ বিলৈ
প্ৰতি ক্ষণ বুকুত মৃত্যুৰ ভয় বান্ধি
কিদৰে যে আছে জীয়াই
হয়তো তপত বুলেটত লিখা আছে
প্ৰতিদিন কোনো নিৰীহৰ নাম
এইয়াই স্বাধীন দেশৰ
নিৰীহ প্ৰজাৰ জীৱনৰ দাম
মহাত্মা তুমিয়েই সপোন দেখুৱালা
এখন ৰাম ৰাজ্যৰ
কিন্তু সেই সপোন কলিতে মোহাৰি
তুমি কিয় গুচি গ'লা
বুজিছা মহাত্মা
আজি ৰামো নাই
আৰু সেই অযোধ্যাও নাই
পংগু মানৱতাই ছানি ধৰিছে কেউদিশ
জাতি-ধৰ্মৰ নামত ভাই-ককাইৰ মাজত
বিভেদৰ বীজ অংকুৰিত হৈছে,
বণিক গোষ্ঠীৰ স্বাৰ্থলোভী হাতোৱাই
নিৰীহৰ ৰাজহাঁড় ভাঙি পেলাইছে
শাসনৰ নামত অপশাসন
শান্তি নাই আজি জনতাৰ
দিনে দিনে বাঢ়ি আহিছে
ব্যভিচাৰ, হত্যা, হিংসা
ক্ৰমশঃ মানৱতা আজি হৈছে ধৰ্ষিতা,
মহাত্মা
তুমি আকৌ আহা আমাৰ মাজলৈ
ৰৈ আছো আমি জনতা
তোমাৰ সেই সপোনৰ
ৰাম ৰাজ্যখন চাবলৈ।।

# অবনৰীপৰীয়া কনেংজনী

**বিশ্বজিৎ ডি চেতিয়া**
গোলাঘাট

গুমৰাগ নাচি ভালপোৱা
অ' ৰচনী কনেংজনী
তোমাৰ খিলখিল হাঁহিত
অবনৰীপৰীয়া চাপৰিটো গাভিনী হয়
গজি উঠে জোপা জোপা নিঃতম
ফুলে তাত সুগন্ধি বকুল,

বকুল তুমি ভাল পোৱানেঠ
পিঃৰে থোৰ মেলা পুৱাত
বকুল বুটলি পঃৰৰ সৌৰভত
তুমি গাঁথানে বঃৰৃগৰ মালা
অ' অবনৰীপৰীয়া কনেংজনী
বকুলত মোৰ সুগন্ধি পোৱানে বিচাৰি
জোনাকৰ ৰাগিত
আন্দোলিত হয় লৃগাঙৰ বাঁহী
ৰূপালী বাঁহী
নিঃতম ঢালি
বুটা বাচি সুগন্ধি ৰিবি
অ' অবনৰীপৰীয়া কনেংজনী
ঢালি দিয়া স্নিগ্ধ ৰাগ-ৰাগিনী

ব'লানা, অবনৰীৰ পাৰলৈ যাওঁ
জোনাকৰ ফটিকাত
বকুলৰ সুগন্ধি পি
ওৱে ৰাতি মিদাঙৰ সপোন ৰচো।

# অবুজন হৃদয়

**লক্ষ্যজ্যোতি শৰ্মা**
তেজপুৰ

শীতৰ এটা সন্ধিয়াৰ আবেলিত
তুমি আহিছিলা মোৰ জীৱনলৈ
ভালপোৱাৰ বৰষুণ হৈ
বিয়পাই দিছিলা মোৰ ওঁঠত
ক'ৰবাত হেৰাই যোৱা হাঁহিটো
দুচকুৰে নেদেখাকৈ আৰম্ভ হোৱা
আমাৰ চিনাকি
এদিন বাস্তৱ হৈ ধৰা দিছিল
মোৰ চকুৰ আগত

কি আছিল তোমাৰ সেই চাৱনিত
মই নাজানোঁ
কিন্তু সেই চাৱনিয়ে মোৰ হৃদয়ত
এক অবুজ শিহৰণ জগাই তুলিছিল
যেতিয়া তুমি মোৰ ফালে চাইছিলা
মোৰ লাজত হৃদয় কঁপি উঠিছিল
কি আছিল সেইয়া

সেয়াই আছিল নেকি বাৰু প্ৰেম
হয়তো মই তোমাৰ প্ৰেমত পৰিছিলোঁ
কিন্তু ক'ব বিচৰা নাছিলো মই

তোমাক হেৰুৱাৰ ভয়ত
তুমি বুজি উঠিছিলা মোৰ মনৰ ভাব
আকোঁৱালি ল'ব বিচাৰিছিলা মোক
তোমাৰ মনৰ মাজত
আঁকি দিছিলা মোৰ দুচকুত
ভালপোৱাৰ কাজলসনা ৰংবোৰ
কিন্তু দুদিনৰ কাৰণে আহি
ধুমুহাৰ দৰে আঁতৰি গ'লা তুমি

আৰু পুনৰ জীৱনৰ বাটত
অকলশৰীয়া হৈ পৰিলোঁ মই
হেৰাই গ'ল হেপাঁহবোৰ, আশাবোৰ
নাইকিয়া হৈ গ'ল
ভালপোৱাৰ প্ৰতি বিশ্বাস

দুদিনৰ কাৰণে আহি
মুখত অলপ হাঁহি বিৰিঙাই
আঁতৰি গ'লা তুমি

কেনেকৈ বুজাওঁ নিজক
মোৰ অবুজন হৃদয়ে যে
এতিয়াও তোমাকে বিচাৰে।।

# মন যায়

**পল্লৱ কুমাৰ বৰা**
গুৱাহাটী, দিছপুৰ

মনযায় জীৱনৰ যন্ত্ৰনা পাহৰি
নতুন পুৱাৰ কুঁৱলী ফালি
আগুৱাই যাবলৈ
হৃদয়ৰ ৰঙা কলিজাত
লিখি যাবলৈ জীৱনৰ আদিম পাতনি
মোৰো মন যায় জোনৰ দৰে পোহৰ বিলাই
জোনাকীৰ দৰে জিলিকি ৰ'বলৈ
মন যায় সাগৰৰ দৰে বিশাল হ'বলৈ
কণ্টকময় জীৱনৰ বেদনাৰ বুকু ফালি
মোৰো মন যায় নদীৰ দৰেই
বোঁৱতি হ'বলৈ
সেউজীয়া জীৱন পথত
ৰাঙলী সুৰুযৰ দৰে
মন যায় জীৱনৰ ৰং বিলাবলৈ।।

## তৃতীয় ভাগ

**সম্পাদনা**

এছ আহমেদ



# তোমাৰ পৰশ

**আঞ্জুমা বেগম (ৰ্বি)**
চাপৰ, ধুবুৰী

কি যে এক মিঠা শিহৰণ?
এক অনন্য নিদৰ্শন,
য'ত প্ৰাপ্ত সমস্ত মধুৰ ক্ষণ,
এতিয়াতো তোমাৰ কাষলৈ
উৰি গুচি যায় মোৰ মন,
তোমাৰ পৰশৰ মিঠা শিহৰণ।

কিয় বাৰে বাৰে মনত পৰে?
কেনেকৈ নো হৃদয় জুৰ পৰে?
কিয় মাতিছা বাৰে বাৰে?
তোমাৰ মৰমেৰে হৃদয় জুৰ পৰে,
তোমাৰ পৰশৰ মিঠা শিহৰণ।

কেনেকৈ নো কৰিব পাৰা হতাশা পূৰণ?
কেনেকৈ নো শান্ত কৰি দিয়া
মোৰ আভিমানী মন?
এয়াই মোৰ সফল জীৱন,
তোমাৰ পৰশৰ মিঠা শিহৰণ।

চকুত অযুত মৰম,
বুকত জিৰণি লোৱা ঠাই নৰম,
বিলীন হৈ যাওঁ পাই অযুত মৰম।
সদায় স্মৃতিবোৰ মনজগতত আলফুলকৈ ৰাখিম,
মহামূল্যৱান অমৃত কেনেকৈ নো পাহৰিম?
তোমাৰ পৰশৰ মিঠা শিহৰণ।

# অন্বেষণ

মামণি বৰুৱা বৰা
নগাঁও, অসম

সেই সদা জাগ্ৰত, অন্বেষণৰত,
...মোৰ জীৱন বীনাৰ তাঁৰত অহৰহ
বাজে
মংগলময়ী সুৰৰ স্বৰলিপি।

মোৰ হৃদয়ৰ অনুধাৱনত যেন
মই বিচাৰি পাওঁ
জীৱন হেৰুওৱা জনৰ
জীৱন জিনাৰ অন্বেষণ।

জীৱন মধুময় কৰাৰ সংকল্পত ব্ৰতী হৈ
বিচাৰি চাও অহৰ্নিশে অভাগাৰ জীৱন
গাথাঁ।

যদি পাৰিছো উদ্ধাৰিছো
আৰু যদি ক্ষমতাৰ অধিকাৰী নহওঁ
দিছো সহানুভূতিৰ একাঁজলী
কোমল আশিস।

অন্বেষণৰ বটবৃক্ষৰ তলত জিৰণি লৈ
আজীৱন অনুভূতিৰ অভিব্যক্তিৰ
প্ৰেৰণাৰে আগুৱাই গৈ
হ'ব পাৰো যেন বহুজনৰ
জীৱন অন্বেষণৰ উপলা উৎস।

তাৰেই কৃপা ভিক্ষা মাগো প্ৰভু
তোমাৰ চৰণ কমলত।

# সজীৱিত প্ৰাণ

সৰোজিনী বসুমতাৰী
গুৱাহাটী, অসম।

চোৰা চকু মেলি পূবৰ সোণালী বেলি,
বিলাই দিয়া কিৰণ সকলোৰে পোহৰ
অসম সূৰ্য উঠা দেশ এন্ধাৰ ঠেলি ঠেলি।

সোণালী পোহৰে আঁৰবি ৰাখে
উদিব বেলিটি পূৰ্ব দিশত
উঠা সকলোৰে মিলি প্ৰভাততে মন মেলি
গোৰা নৱ আশাৰ গান।
নেজাবা পাহৰি নথ'বা সামৰি
মহাভাগ গুৰুৰ নাম সৰে মিলি জুলি
এহাদি পাহৰি আহা সৰে হওঁ একে প্ৰাণ।

বন্দনা গোৰা সমস্বৰে নৱ উলাহৰে মিলনৰ
গান
মিলি যাম সকলোৰে নৱ প্ৰভাতত
নবীন তেজৰে কৰা সজীৱিত প্ৰাণ।

# কলংকিত ৰাধা

শ্বেলী
ইছবপুৰ, বৰপেটা

সমাজ -সংস্কাৰ নীতি-নিয়ম, উহঃহু
সমাজৰ নীতি বনোৱা জনকো দেখিছো
ৰাতিৰ এন্ধাৰত উল্লাস কৰা।
ৰাতিটো কিনি লব পাৰে সিহঁতে টকাৰে।
নগ্নতাৰ ৰাগিত গোটেই ৰাতি বিচাৰি ফুৰে কৃষ্ণচূড়া।
নখৰ আচৰত ফালি দিয়ে বুকু,
দাঁতেৰে ক্ষত-বিক্ষত কৰা ৰতনীক দলিয়াই দিব
পাৰে পদপথত, নৰ্দমা অথবা ঘন জঙ্গলত।
ৰাতিপুৱা গংগাত ডুব দি সংস্কাৰৰ পাঠ দিয়ে।

কিমান সতী অসতী হ'ল সিহঁতৰ সংস্পৰ্শত
সিহঁতেই আকৌ অগ্নিপৰীক্ষা লয় ৰাইজমেল পাতি।

প্ৰতিশ্ৰুতি ভালপোৱাৰ,
হৃদয়ে হৃদয়ক বিচাৰে।

সমাজে নিয়ম বিচাৰে
হ'লে হওক ৰাতিৰ এন্ধাৰৰ দাস

নিয়ম কাৰ বাবে
বনোৱা জনেই যদি নামানে?
আশীৰ্বাদৰ হাত মূৰৰ পৰা পিঠিত যায়
হায় সংস্কাৰহু
কাৰ পৰশত কলংকিত ৰাধা?

# চৰিত্ৰ গঠন

অশ্বিনি কোঁৱৰ
নগাঁও, অসম

সুখ আৰু দুখ মানুহৰ লগন
সৎ,অসৎ চৰিত্ৰই মানৱ জীৱন
নিশ্চয় থাকিব পাৰে বেয়া কিঞ্চিৎ
জানিও নকৰা কিয় বেয়াখিনি বঞ্চিত ?
আঁতৰোৱা মানসিক হীনমন্যতা
গঢ়া নিজকে ভাগ্যশালী, সফল।
ভাবা সুখী বুলি আনতকৈ নিজক
নিদিবা স্থান মনত হিংসাৰ বীজক।
নেদেখিবা নিজক নিজ দৃষ্টিৰে তুচ্ছ
নিজস্ব বিশেষ গুণতে হ'বও পাৰা উচ্চ।
সুচেষ্টাৰ দ্বাৰা জীৱন হয় বিশিষ্ট
তাকে হবলৈ নিজে কৰা চোন কিছু কষ্ট।
পৰহিংসা, দুৰ্বলতা ৰখা আঁতৰাই
কটু কথাই বঢ়াই মানুহৰ শত্ৰুতা।
আনৰো সুখ দুখৰ সমভাগী হবা
আনৰ সমালোচনাৰ পৰা দূৰত থাকিবা।
হ'বলৈ শিকা নিজকে দক্ষ, পৰিশ্ৰমী
আনৰ সুকামৰ লবাহি আৰ্হি
নাযাবা হ'বলৈ আনৰ প্ৰতিযোগী
যাব পাৰা মৰহি নহ'লে উপযোগী।
আত্ম গৌৰৱ ত্যাগ নকৰিলে
নিজৰ সুখে আনৰ সুখ আনিব নোৱাৰে।
ব্যৱহাৰ কৰা নম্ৰ-ভদ্ৰ সকলোৰ পৰা
ৰূঢ় ব্যৱহাৰো নাপাবা।
অতি মাত্ৰা কথা কাকোকে নকবা
ঈৰ্ষা, দ্বেষ, লোভৰ পৰা আঁতৰি থাকিবা।
মানি চলিবা নিজে অনুশাসন
নিদৃষ্ট নীতি মনাটো শৃংখলাবদ্ধ জীৱন।
শিকা হ'বলৈ মিতব্যয়ী
অধিক ব্যয়ে কৰে ঋণগ্ৰস্ত।
ঋণীলোক সদায় অসুখী হয়
এনে লোক সদায় কাবু হৈ ৰয়।
ভাল অভ্যাস সমাজত বিকাশ কৰা
আনৰ বিশ্লেষণৰে সুখ আনিব পৰা।
সুখী-দুখী মানুহৰ পথ আছে নিদৃষ্ট
গুণবোৰ নহয় কাহানিও বিনষ্ট।
দেশদ্ৰোহ, সমাজদ্ৰোহী নকৰি জীৱন
কৰা চোন নিজৰে ভাল চৰিত্ৰ গঠন।

# বসন্তৰ আগমন

মোঃফুলবৰ আলী
কালাপানী, মানকাচাৰ

সেউজীয়া কুঁহিপাতৰ আঁৰত
কোনে কাৰ ফাঁদত পৰি
বুকু উদঙাই কাৰ ফালে চাই
মাৰিলি মিচিকি হাঁহি ...
ধুনীয়া গাতিছে কুমলীয় কলি
পুষ্পবাটি সাতভুৰি ডিঙিত পিন্ধি।
ফেৰেঙা ডালৰ পাত সৰাই
সম্ভেদ জাৰণ দিলা প্ৰকৃতিৰ নব্য বাৰ্তা।
দিবাভাগত ধূলি-কণা তেজাল বেলি-ফুল
ফুটিলে গগণৰ নীলকণ্ঠ বাগিছাত।
কুলি নাচিছে বসন্তৰ কুঁহি ডালে-মূলে
ফুটিছে নাৰ্গিজ ৰংঙীন ভৰনে।
বসন্ত সম্ভেদে আকাশত ৰামধেনু গজিছে
কেতেকী গুণ্ গুণ ভোমৰাই ভো-ভোই নাচিছে।
প্ৰভাতী ফেচাঁ চিক্-চিক্ সপ্তম সুৰ-তাল ধৰে
কুকিলাৰ কু কু ডাকত পলাশ নিদ্ৰাত মাতে।
পখিলাই জাক পাতি উৰে,
মৌ ৰাণী ফুলে ফুলে ঘুৰে
মালিতাই ফুলনিত জাক পাতি প্ৰীতিৰ আমেজ মাগে।

# যুদ্ধ নালাগে আমাক

চৈয়দা মিনাৰা ৰহমান
চামতা

ইউক্ৰেইনৰ আকাশ-বতাহ চানিছে ক'লা ধোঁৱাই,
বিশ্ববাসী শ্বাসৰুদ্ধ, দুয়ো দেশৰ অহংকাৰত।
ক'ত নগৰ পৰিণত হ'ল ধ্বংস স্তুপত,
ক'ত নিৰীহৰ প্ৰাণ গ'ল ৰণাঙ্গনত।

বতাহত কান্দোনৰ ৰোল,
কেঁচা তেজে বোৱালে ভূমিত ৰাঙলী বোল।
উন্নত দেশৰ নাগৰিক হৈয়ো জীৱন ভয়াৰ্ত ,
কটাইছে প্ৰতিটো ক্ষণ চৰম অনিশ্চয়তাত।
উন্নত হ'লে কি হ'ব, বিবেক হ'ল আসুৰিক,
অহংকাৰে জ্বলাইছে সিহঁতৰ জিঘাংসাক।
নালাগে এনে ৰণপিপাসু আসুৰিক নেতা,
নালাগে ধ্বংস আমাক, নালাগে নিৰীহৰ বলিদান।
বিশ্ববাসী একত্ৰিত হোৱা, নকৰিবা পলম,
দোষী ৰাষ্ট্ৰক এঘৰীয়া কৰা, তেহে যদি আঁতৰে সংকট।
নোৱাৰা যিহেতু কৰিব সৃষ্টি জীৱনৰ,
ধ্বংস কৰাৰ অধিকাৰ বাৰু ক'ত পালা ?
যুদ্ধই কেৱল ধ্বংসহে আনে, ইতিহাসেও সকিয়াই তাকে,
নালাগে আমাক ধ্বংস, নিবিচাৰোঁ হত্যালীলা,
আমাক শান্তিহে লাগে শান্তি দিয়া, শান্তি ।

# তোমালৈ মোৰ শেষ চিঠি

আব্দুৰ ৰশিদ
মইনবৰী, বৰপেটা

শুনিছানে?
মোৰ সপোনৰ ৰাজকুমাৰী,
নিভাজ সোণৰ নিচিনা
নিৰ্ভেজাল মন-প্ৰাণে
হৃদয়ত ঠাই দিবলৈ
বহুত হেঁপাহ লৈ
তোমালৈ লিখিছিলোঁ
মোৰ প্ৰেমৰ কথা।

বুকুত অজস্ৰ সপোন লৈ
গুছি গৈছিলোঁ
অচিন কাল্পনিক দেশ এখন লৈ
য'ত মাত্ৰ তুমি আৰু মই
পাতিছিলোঁ অনেক প্ৰেমালোচনা
আৰু অনেক গল্প...।
সেয়া যেন অদূৰ কাল্পনিক দেশত।

তোমাৰ মাধুৰ্য্যময়ী সৌন্দৰ্যত
মই দেউলীয়া হৈ সম্পৰ্কৰ প্ৰতীক
এজোপা গোলাপ লৈ
তৃষ্ণাতুৰে বাট চাই চাই
তোমালৈ লিখিছিলোঁ
মোৰ প্ৰথম প্ৰেমৰ চিঠি।

এবুক আশা লৈ হৃদয়ত
প্ৰকৃত প্ৰেমক ঠাই দিবলৈ হাবাথুৰি খাই
উৎকণ্ঠাৰে অপেক্ষা কৰিছিলোঁ
মোৰ প্ৰথম প্ৰেম বাৰ্তাৰ উত্তৰলৈ ।

মোৰ প্ৰেম বাৰ্তাৰ উত্তৰত
নীল আকাশত মেঘাছন্ন হৈ বজ্ৰপাতৰ নিচিনা
এজাক ধুমুহাই তচনচ কৰিলে
মোৰ নিখুঁত প্ৰেমক।

এইয়া আছিল তোমালৈ মোৰ শেষ চিঠি
কেৱল মাত্ৰ তোমালৈ...।

# আহিবা নে?

ড° মহঃ ছহিদুল ইছলাম
চেন্নাই

ফাগুনী
তুমি আহিবা নে?
বিষাদৰ ৰং বোৰ
মনৰ পৰা
আতৰাই নিবলৈ
আশাৰ পদূলিত
বাট চাই ৰৈ আছোঁ
তুমি আহিবা বুলি
তোমাৰ পছোৱা
বতাহৰ ক্ষিপ্রতাত
বিষাদৰ ৰং বোৰ
উৰুৱাই দূৰলৈ লৈ যোৱা
আনন্দৰ ৰং বোৰে
মনৰ দুৱাৰ ডলিত
আগ্রহেৰে ৰৈ আছে
ক্ষন্তেকীয়া জীৱনক
ৰঙীন কৰিবলৈ
ফাগুনী
তুমি আহিবা নে.... ?

# আনন্দৰ অশ্ৰু ধাৰা

ববিতা বৰ্মণ
গুৱাহাটী

নিৰ্জনতাত বহি যেতিয়া দূৰৰ
সেউজ পাহাৰ খনলৈ চাওঁ
বিৰিখে বিৰিখে কৰা
আলিংগন
পক্ষীৰ কলৰৱত ভাঁহি আহে
মধু গুঞ্জন
সুৰৰ লহৰত নৈখনো হয়
আনন্দত আত্মহাৰা
দেহৰ ভাঁজে ভাঁজে জাগে
যৌৱনৰ বাসনা
নিশাৰ আকাশ খনলৈ চাই
বৰ ভাল পাওঁ জানা
শুকুলা মেঘৰ আঁৰে আঁৰে
ন'জোনৰ লুকা ভাকু
তৰা বোৰৰ খিলখিলনি
নিঃসংগতাৰ প্ৰশ্ৰয় নাই
চৌপাশে কেৱল সুখৰ বন্যা
আৰু তেতিয়াই দুগালেৰে
বৈ আহে দুধাৰী
আনন্দৰ অশ্ৰু ধাৰা।

# চতুৰ্থ ভাগ

**সম্পাদনা**

জোন বৰা



# জীৱন জীৱন বৰ অনুপম

**মনালিচা পপি শইকীয়া**
বোকাখাত

জীৱন জীৱন বৰ অনুপম।
ভিন্ন ৰঙীন অনুভূতি বোৰে
জীৱনক ভিন্ন সময়ত ভিন্ন ৰঙেৰে উজলাই
তোলে।

মনগলেই কেতিয়াবা
সুখ-দুখৰ যোগ-বিয়োগত
ডুখৰীয়া সপোন বোৰে আশা হৈ ফুলে।

জীৱনৰ ধামখুমীয়াত
কেতিয়াবা আকৌ
জীৱন নামৰ গাড়ীখন
ট্ৰেফিক জামত ৰৈ যায়
মাথোঁ ৰৈ যায় সময় বহু সময়।

ভাৱনাত আউল লাগিলেই
সময়ৰ ভাজে ভাজে
জীৱন নামৰ গাড়ীখনে অগা-দেৱা কৰে।
মনৰ সাঁচতীয়া সপোন বোৰ
খণ্ড-বিখণ্ড হয়।

দুৰ্যোগৰ দেওলগা সময়ৰ চাকনৈয়াত পৰি
মনটোৱে দিক্ বিদিক হেৰুৱায়

কণমানি হৃদয় খনক
যন্ত্ৰণাবোৰে মুচৰি ধৰে।

কেতিয়াবা আকৌ
সুখৰ অনুভূতিৰ সুৰুঙাৰে
মোৰ হৃদয় লৈ নামি আহে
বুকু ভৰি এবুকু ৰূপোৱালী জোনাক।

তেতিয়া
মনে আলফুলে সোৱঁৰে
সচাঁকৈয়ে.....
জীৱন জীৱন সচাঁই বৰ অনুপম।

# সোণালী শৈশৱ

**বকুল সূত**
বালিজান, চতিয়া, বিশ্বনাথ

ফৰিংফুটা জোনাক ৰাতি
আইতাই বুকুৰ শেতেলিত শুৱাই
সাধু কয় জোনবাই দেশৰ
অ-আ, ক-খ শিকাই ঢৰা পাৰি
গভীৰ নিদ্ৰাত নিমগ্ন হয় তাই।
দোকমোকালিতে শেতেলি এৰে
কণ কণ ভৰিৰ খোজেৰে
চিঙাজানৰ বালিত
বালিঘৰ সাজি ওমলে
লগৰীয়াৰ লগত।
ৰূপহী ৰচকী সাজোন-কাচোন
ভাৱনাত এজাক ৰঙীণ পখিলা
মুখৰ হাঁহিটিত বিজুলী চমকে
মাকৰ আচলত ধৰি
ঠেহ যোৰে সন্ধিয়া পৰত।
তাইৰ মনতো বগা বগা
জাক পাতি উৰা বগলীৰ দৰে
ভাগৰত তাই নিচুকণি গীত শুনে
আইতাৰ উকা হৈ থকা
উদং বুকুৰ উমেৰে ।
তাইৰ ওঠত নিগৰে কাচি জোন
পলাশৰ ৰঙেৰে ৰাঙলী তাই
সোণালী পোহৰৰ বাটত
তাইৰ হাঁহিত নিগৰে
শৰতৰ শেৱালীৰ সুবাস ।।

# তুমি আৰু মই

**শেৱালী হাজৰিকা**
জামুগুৰি, শোণিতপুৰ

তোমাৰ কাজলসনা দুচকুত
সেয়া দেখোন মোৰেই ছবি,
ধৰি ৰাখিছা হবলা
উৰি ফুৰা ভোমোৰাটো বুলি,
ৰাখিছোঁ তোমাৰ কলিজাটি
মোৰ বাহুবন্ধনত সাৰটি
যেতিয়া মনত পৰে তোমালৈ
এবাৰ হিয়া খুলি চাবলৈ ।
ময়ো হ'ব খোজো দেহা
তোমাৰ হিয়াত ফুলি থকা
এপাহি ৰজনীগন্ধা,
তোমাৰ বুকুতে বিচাৰি পাওঁ
তৰাবোৰে খেলি থকা
আশাৰ স্বপ্নময় সন্ধ্যা ।
মেলি চোৱা এবাৰ
সোঁৱৰণিৰ পৃষ্ঠাবোৰ
হৃদয়ৰ বৰপেৰাটো খুলি,
বিচাৰি পাবা তাতেই তুমি
মোৰ হৃদয়ৰ বীণখনি ।

# বন্ধুত্ব

বিশ্বজিৎ সূত
চতিয়া, বিশ্বনাথ

সপোনৰ কাৰেঙত
ৰাঙলী সূৰুযৰ ৰশ্মিৰে
পোহৰাই তোলা
তুমি তিমিৰাচ্ছন্ন ৰাতিৰ
হৃদয়ৰ কোঁঠালিত
জিলিকি থকা
চিৰ সেউজ উপত্যকা ।
তোমাৰ সিৰে-সিৰে
বৈ আছে ভালপোৱাৰ গভীৰতা,
মনৰ অট্টালিকাৰ কহুঁৱাত
পলে পলে নিগৰিছে
বন্ধুত্বৰ নিজৰা।
তোমাৰ অংকৰ জংক পংকই
মোৰ হৃদয়ৰ দুৱাৰত
জুইৰ শিখাৰ দৰে
জ্বলি জ্বলি
পোহৰ বিলাই
দিথৈ যায়
জীৱনৰ সোণোৱালী সুবাস।
সপোনৰ দিগবলয়ত
সেউজীয়া সপোন দেখি
চিৰদিনৰ বাবে মোক দি যায়
গভীৰ বন্ধুত্বৰ প্ৰতিশ্ৰুতি ।।

# নদী আৰু নাৰী

**মৌচুমী বৰঠাকুৰ গোস্বামী**
দুলীয়াজান

নদী আৰু নাৰী একেই,
কেতিয়াবা শান্ত আৰু কেতিয়াবা সংহাৰী।

নদী এখনে বুকুত সাৰতি লয়,
অসংখ্য ভাল আৰু বেয়াৰ সমাহাৰ।

এগৰাকী নাৰীয়েও জীৱনত
সুখ-দুখ, ক্ষোভ-অভিমান
লৈ আগবাঢ়ি যায়।

নদীখনে যিদৰে বাধাৰ সন্মুখীন হ'লে
উগ্ৰ হৈ সন্ত্ৰাসৰ সৃষ্টি কৰে,

নাৰী এগৰাকীও ঠিক একেদৰেই,
যেতিয়া নিৰ্যাতিতা হয়,
তেতিয়াই সৃষ্টি হয় সমাজবিৰোধী মহাপ্লাবনৰ।
উদঙাই দিয়ে সভ্য সমাজৰ অসভ্যতাবোৰ ।

নদী আৰু নাৰী দুয়ো সহনশীলতাৰ প্ৰতীক ।

কিন্তু ......
সহ্য সীমা চেৰাই গলেই,
সংহাৰী ৰূপ লয়।

# ম'ল্কি

**নিৰ্মিতা বৰগোহাঁই**
গুৱাহাটী

অৱগুণ্ঠিতাৰ মৌন ওঁঠত
প্ৰতাৰিত কম্পিত যৌৱন

কঠিন স্পৰ্শত হেৰুৱায়
অনুৰাগৰ মিঠা শিহৰণ

নিজান বন্ধ কোঠাত
আঁচলে বান্ধিব খোজে
লাজে ঢকা লাজবোৰ

অচিনাকি জনৰ সৈতে
পলে পলে পাৰ হয়
বিষাদৰ অনাসক্ত নিশা

সৰ্বস্ব হেৰুৱাই
নিজক নিজেই প্ৰশ্ন কৰে
কোন বাৰু তাই?

হয়, তাই বজাৰত বিক্ৰী হোৱা
এগৰাকী সদ্য বিবাহিতা পত্নী

কুৰিটা বসন্ত গৰকা
তাই এতিয়া ম'ল্কি।

# জীয়া মানুহ

**মফিদা বেগম**

জনঅৰণ্যত
বহুজনেই অচেতন ভাৱে
ঘূৰি ফুৰিছে আপোন
বিভোৰত বলীয়ান হৈ
কেতিয়া জাক জাক
অচিন মানুহবোৰে বৃক্ষজোপাত
জাপে জাপে হেঁচামাৰি বহিবলৈ
ঢাৰিপাটী ঠিক কৰিছে গমেই নাপায় ।
কিন্তু জীয়া মানুহ কেইজন
আছে বাবেটো
হালি পৰিব দিয়া নাই
ফলমূলেৰে ভৰি থকা বৃক্ষজোপা ।
এই জীয়ামানুহ কেইজনে
শিপাডাল ধৰি আছে খামোচ মাৰি
এই জীয়া মানুহ কেইজনে
শিপাডাল ধৰি নথকা হ'লে
মাটিৰ পৰা বিছিন্ন হ'লহেতেন
তেতিয়া শিপাডালৰ অল্প অভাব হ'লহেতেন
হয়টো চুক এটাৰ অচল হ'লহেতেন
হয়টো ক'ৰবাত ডালেপাতে ঘূণে খালে হয়
শিপাডালৰ ওপৰত বিষাক্ত সাপে পোকে
এটা উঁইহাফলু সৃষ্টি কৰিলে হয়
লাহে লাহে বৃক্ষজোপাৰ বেমাৰ লাগি
জহি পৰি অস্তিত্ব নাইকিয়া হ'লহেতেন
কিন্তু এই জীয়া মানুহকেইজন
থকাৰ কাৰণেই
শিপাডালৰ আছে আশা ভৰসা
এই জীয়া মানুহ কেইজনৰ পোছাক নীলা
সেউজীয়াবোৰ বুকুত ভৰায় লৈ ফুৰা
এওঁলোকৰ নিচা
থেপি থেপি শিপাডাল
আপডাল লয় পোতখোৱাই থয়
মজবুতকৈ মাটিৰ লগত
জীয়া মানুহকেইজনৰ এটাই আশা
বৃক্ষজোপাৰ ফলৰ সোৱাদ
তেওঁলোকে ল'লৈ যেনেকৈ
নাতিপুতি কেইটাৰেও এই
ফলৰ সোৱাদ পাই যেন তেনেকৈ ।

# শ্মশান

**জয়শ্ৰী ভট্ট**
মঙলদৈ মহাবিদ্যালয়

তেওঁ শুই আছে
শ্মশানত
এবুকু নিৰ্জনতা সামৰি।
বিশাল শূন্যতাৰ বুকুত
হালধীয়া বেলি।
থিৰ ওঁঠযুৰিত
ছাইৰঙী ৰ'দ ।
তেওঁৰ বাবেই সেমেকে
দুচকু।
তেওঁৰ সপোনবোৰে
জুইৰ বুকুত আঁকিলে
এখন স্মৰণীয় ছবি
আশাবোৰ বুকুত বান্ধি।

# দেশপ্ৰেম

**অজয় কিশোৰ কলিতা**
কমলপুৰ, কামৰূপ

মোৰ দেশক ভাল পোৱাৰ বীজগণিতীয় সূত্ৰ
তুমি মোক নিদিবা
মাৰগৰ্ভত মই শিকিছিলোঁ আদিপাঠ,
মাক ভাল পোৱাৰ।
প্ৰেমত পৰিছিলোঁ মাৰ,
গাখীৰ নাপালে ফেঁকুৰিছিলোঁ
সেইয়া জানো নহয় অভিমান মাক
ভালপোৱাৰ?
কৈশোৰত চৰাই,সেউজীয়া পাহাৰ, নদী,
যৌৱনত নাৰীৰ।
তুমি যদি নাৰীক ভাল নোপোৱা
নিশিকাবা মোক দেশপ্ৰেমৰ জ্যামিতিক সূত্ৰ,
সিদ্ধান্তৰ পৰা অনুসিদ্ধান্ত দেশপ্ৰেমৰ ।
কৃষকৰ কামীহাড়ত ,শ্ৰমিকৰ হাতদুখনত
মোৰ দেশৰ প্ৰেমৰ গান,
যুগ যুগ ধৰি সংস্কৃতিৰ ঔৰসত
মোৰ দেশত মানৱতাৰ ঐকতান
সেয়াই মোৰ দেশপ্ৰাণ।

ভোকাতুৰ শিশু ,ধৰ্ষিতা কিশোৰী প্ৰদূষিত
বায়ুৰ দেশপ্ৰেমৰ বীণ তুমি নবজাবা
কাৰণ,
মাৰ সৈতে মোৰ প্ৰেম,
চৰাই, পাহাৰ ,নদীৰ সৈতে মোৰ প্ৰেম
প্ৰেম মোৰ নাৰীৰ সৈতে,
ইয়াকে কওঁ মোৰ দেশপ্ৰেম।

**পঞ্চম ভাগ**

**সম্পাদনা**

ঊষামণি শইকীয়া



# মৃত্যুঞ্জয়ী

চফিকুল ইছলাম
যোৰহাট

মই আজন্ম যোদ্ধা জগত সমৰৰ
মই মৃত্যুঞ্জয়ী
মোৰ স্থিতিত
মই অচল-অটল
অবিচল
মোৰ তেজ দেশৰ মাটিত
সিঁচি দিছো অবিৰাম...
তাৰ প্ৰতিটো টোপালত
হাজাৰতা মই পুনৰ
জন্ম হৈছোঁ,
মই যেতিয়া যুঁজলৈ ওলাও
মোৰ কাণত পৰে
বহুতো উক্তি যুক্তি
যুক্তি যুক্ত
অথবা যুক্তিহীন
ই দি যায় মোক এক
সকিয়নী,
জ্বালাময় শিলাভূমি ভেদি
মই প্ৰলয়েৰে
সৃষ্টিৰ গীত গাঁও,
সৰ্ব শক্তিমান
দুৰ্বাৰ মই
মোৰ দেহত তিৰবিৰাই
আছে জগত বীৰৰ
বিয্যৰ ধাৰা
মোৰ খোজত
ধৰণী কঁপে,
মহা প্ৰতাপী মই
উভালি পেলাম
জনমভূমিৰ মহাপতনৰ
মূল বোৰ,
মই মুক্তিভীযানি
বহ্নিশিখা
জনমভূমিৰ বেদনাক্লিষ্ট
আৰ্তনাদে মোক
সজাই তোলে নতুন
সাহসেৰে
জগতৰ প্ৰতিজনৰে
দৃষ্টিমান
সৌৰা আকাশলংঘী
বিজয় স্তম্ভ ময়েই গঢ়া,
মই আজন্ম যোদ্ধা
জগত সমৰৰ
মই মৃত্যুঞ্জয়ী অসমীয়া,
মোক লাগে যোদ্ধা
আত্মাহুতিৰ শক্তিসুধা
মৃত্যু বিজয়ী মন্ত্ৰ জনা...
মই আজন্ম যোদ্ধা জগত সমৰৰ
মই মৃত্যুঞ্জয়ী...

# অৰুন্ধতী

অনিমা তালুকদাৰ দত্ত

অৰুন্ধতী - এইয়া দোভাগ ৰাতি।
তোমাক চাবলৈ আহিলো দূৰ দূৰণিৰ পৰা,
কিন্তু তুমি দেখোন শোৱা নাই,
গাৰুতে কৰি আছা মূৰটো ইকাতি-সিকাতি।

অৰুন্ধতী, ক'ভিদ নামৰ নেদেখা শত্ৰুটোৰ ওচৰত হাৰ মানি
মই গুচি গ'লো দূৰ দেশলৈ।
এই দোভাগ ৰাতি ঢপলিয়াই আহিছোঁ
পোনাকণ আৰু তোমাক চাবলৈ।

অৰুন্ধতী, পৰেনে মনত সেই
তাহানিৰ দিনবোৰ?
তুমি মই পাৰ কৰা
মিঠা মিঠা লগন বোৰ?
নতুন কাপোৰ পিন্ধিলেই
সোধা "ক'লৈ যোৱা"।
নাজাবা বুলি যে মোক
কাবৌ কৰি কোৱা।

আমাৰ সুখৰ বাবে সকলো
দিছিলা বিসৰ্জন।
নিজৰ বাবে কিন্তু
নাৰাখিলা অকণ।

কিন্তু অৰুন্ধতী,
তোমাক মই এৰি আহিলো
ডাৱৰৰ সিপাৰে থকা ধুনীয়া দেশলৈ,
অজান দেশৰ নিৰ্জন কোঠাত শুই থাকো মই,
তোমাৰ ওচৰলৈ যাবও নোৱাৰো এই বেশ লৈ।

নিঃস্বাৰ্থ প্ৰেমৰ কঠিন বান্ধোন
অলক্ষিতে সোলোকালো
নজনা নেদেখা অজান দেশলৈ
তোমাক এৰি মই গুচি আহিলো।

সেয়েহে অৰুন্ধতী তোমাক চাবলৈ
আহিছো মই এই দোভাগ ৰাতি,
কিন্তু দূৰৰ পৰা দেখিলো তোমাক -
তুমি শুৱা নাই,
গাৰুতে কৰি আছা
মূৰটো ইকাটি-সিকাতি।

শুই থাকা অৰুন্ধতী,
এইয়া যে দুভাগ ৰাতি...।।

# মই ৰজাৰ ইতিহাস হ'ব খোজো

ত্ৰিদিৱ চৌধুৰী
জয়ানগৰ, গুৱাহাটী

মই ইতিহাস
এতিয়া , মোৰ বুকুৰ ওপৰত
হাজাৰ হাজাৰ জনৰ হাঁহাকাৰ,
বছৰ বছৰ বাগৰি গ'ল
তথাপি
সংগ্ৰামী জীৱনৰ আশাবোৰ দেখোন
নিমিষতে ছাৰখাৰ হয়।

মই ইতিহাস
কাৰণ...
এতিয়া...
মোৰ ঘৰৰ ছালৰ ওপৰত
আকাশখনেও লাজতে লুকায় ,
গাঁওবোৰ মৰমৰাই ভাঙে ...
মোৰ গাঁৱৰ
জৰাজীৰ্ণ বাটেৰে
দুৰ্দশাৰ কঠীয়া সিঁচিবলৈ
ঋতুৰে ঋতুৰে
আহে আৰু যায়
যন্ত্ৰনাবোৰ জাপি দিবলৈ ।

সেয়ে ...
মই ৰজাৰ ইতিহাস হ'ব খোজো
মোৰ দেশত ৰজা আছে,
মোৰ গাঁৱলৈ বছৰচেৰেকৰ মূৰত
ৰজা আহে, ৰজা যায়,
ৰজাই দেখে
ডিঙিত পিন্ধাব অনা
ফুলাম গামোছা ,
ৰজাই দালাল দেখে
ৰজাই ঠিকাদাৰ দেখে ,
ৰজাই যন্ত্ৰণাৰে ভৰা জীৱনবোৰ নেদেখে,
নদীৰ গৰা খহাও ৰজাই নেদেখে ।
সেয়ে...
মই ৰজাৰ ইতিহাস হ'ব খোজো
কাৰণ মই যে জীয়াই আছো
ইতিহাসৰ পাতে পাতে ,
মোক লৈ ঠিকাদাৰ দালাল কিম্বা
ৰজাবোৰে
নিজৰ নিজৰ মুনাফা লৈ
মোক ভোগৰ সামগ্ৰী হিচাবে
বছৰে বছৰে,
ঢাকঢোল বজাবলৈ
সুবিধা পায় ....
সেয়ে মই ৰজাৰ ইতিহাস হ'ব খোজো ।

# পৰিবাৰ

মেৰাজ ৰাচিকুৰ ৰহমান
মৰাণ

এক নুবুজা সাঁথৰ
সন্তুষ্ট নোহোৱা শিলৰ পাথৰ
দেৱতাই নোৱাৰিলে
মানুহে ক'ত পাৰিব বলে।

কিন্তু মোৰ বাবে জ্ঞানৰ সাগৰ
জীৱনে মৰনে আজীৱন লগৰী
সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব পাৰি
মৰম দিব জানিলে বলাব পাৰি।

পৰিবাৰতকৈ বন্ধু পৃথিৱীত নাই
মাতৃৰ সমান মন্দিৰ বিশ্বত নাই
পিতৃ সমান শুভাকাঙ্খী ভুৱনত নাই।

পৰিবাৰক নুবুজিলে পুৰষেই নহয়
পৰিবাৰক বুজাব নোৱাৰিলে পুৰুষৰ পৰিচয় নহয়
বহু ত্যাগৰ সমষ্টি এগৰাকী নাৰী
বহু ধৈৰ্যৰ সমষ্টি এগৰাকী নাৰী
বহু চৰিত্ৰৰ সমষ্টি এগৰাকী নাৰী

গান্ধাৰী দৰে সাহস আছে
কুন্তীৰ দৰে ৰহস্য আছে
দ্ৰোপদীৰ দৰে যাতনা আছে
কৌশল্যাৰ দৰে ত্যাগ আছে

শিশুৰ শিক্ষাৰ বটবৃক্ষ
পতিৰ বাবে মস্তিষ্ক
সমাজৰ বাবে মেৰুদণ্ড
সৌন্দৰ্যৰ বাবে সুন্দৰৰ আৰাধনা
ঘৰৰ বাবে লখিমীৰ পদুলি।

পত্নী অন্তৰৰ পৰিশুদ্ধিতা
জীৱনৰ বাবে চিত্তৰ দাপোণ
মনৰ বাবে প্ৰজ্ঞাৰ পোহৰ।

মিঠা মাতে সংসাৰ গঢ়ে
চাণ্ডাল হ'লে সংসাৰ ভাঙে
মদিৰাসক্ত হৈ পত্নীক অত্যাচাৰ নকৰিবা
বহু পণ্ডিতেও পত্নীক ৰাখিব নোৱাৰিলে
কপাহ কোমল পৰিবাৰক স্বাধীনতা দিবা
সংসাৰ শুৱলাকৈ নিজ পথত নিজ গতিত যাব
যুগ্ম জীৱন ধৰিব জানিলে স্বৰ্গ সুখ পাবা
লতিঘতি লাগিলে নৰকৰ যাতনা মৰ্ত্যতে পাবা।

বুজাবুজিৰ সংসাৰ শাসনতকৈও ডাঙৰ
পৰিবাৰক দিয়া মৰম আসনতকৈও ডাঙৰ।

# নাহৰৰ সুবাস

**অণু দেৱী**
বেলতলা সৌৰভ নগৰ

হে ফুল্ল শিখৰিনী চিৰসেউজী
দুগ্ধৰ দৰে পাপৰি কি যে
অপৰূপ ৰূপমাধুৰী।
তুমিয়েই
মালয়েছিয়া, থাইলেণ্ড, ফিলিপাইন, দক্ষিণবাৰ্মা, ভাৰত
সকলোৰে আদৰৰ
হিমালয় শুৱনি
শ্ৰী লংকাৰ জাতিৰ চানেকি ।
হে চিৰ সেউজী
কাৰ ৰূপেৰে নিজকে
সজালা তুমি
মিচৰ নে ইজিপ্তৰ?
নহয় নহয়
তুমি আমাৰ হিয়াৰ আমঠু
বসন্তই আনিলে আদৰি
বৰ্ষাই নোৱালে
ব'হাগে লাহিকৈ সজালে
ৰঙীণ কৰি।
শুভ পুস্প স্নিগ্ধ শোভা
মন্দিৰৰ আসনটো জিলিকা তুমি
তুমিয়েই
অসমীয়া জাতিৰ সংস্কৃতি
অসমীয়া শিপিনীৰ লাৱণ্য
তাঁতৰ মাকোটি
নাচনীৰ কলডিলীয়া কবৰী শুৱনি
হে নাহৰ তুমি
ব' হাগৰ আতুৰ প্ৰেমিক।

# সাৱধান

চমক কুমাৰ
মঙলদৈ, ৱাৰ্ড নং ৭

বানে ধোৱাৰ পিছত
জুমুঠিত জীউটোহে বাকী
চৰকাৰ বাহাদুৰ
এশ গ্ৰাম খোৱাতেল
দুসেৰ চাউল
আধাসেৰ ডাইল দিছা বাৰু
সেয়াও দুৰ্মূল্য এতিয়া
কিন্তু শুনা
নকৰিলে যিবোৰ নহয়েই
সেইবোৰ কৰা
নহ'লে বাচিব নোৱাৰিবা এদিন
ক্ষোভৰ উদ্‌গীৰণ নহ'ব বুলি নাভাবিবা
হালৰ গৰুহাল
ভঁড়ালৰ ধান
পুখুৰীৰ মাছ
এনেকি জীৱনো কাঢ়ে বানে
আৰু আমি কেৱল
মিঠা বক্তৃতাত ভোল যাওঁ
আমাৰ কৰৰ মেটমৰা ভাৰখনেৰে
বিলাস ভ্ৰমণ কৰা
উচ্চ অট্টালিকাত বাস কৰা
আমালৈ এবাৰ ভাবা
মাথোন এবাৰ
বহুত নালাগে আমাক
নৈখন ভেটা
মথাউৰি আৰু বাটপথ সাজা
আমাৰতো দুখ নাই বেছি
হাঁহেও ভাল মাহেও ভাল স্বভাৱ
আমাৰ
প্ৰাণে মাৰি ৰং নাচাবা
সীমাহীন অত্যাচাৰ সহোঁ সদায়
মাটিৰ মানুহ আমি
তথাপি
সীমা আছে সহন কৰাৰ
যিদিনা সীমা চেৰাই যাব
ধৈৰ্য্যৰ বান্ধ সুলকি যাব
সিদিনা হ'ব ছাৰখাৰ
বক্তৃতাৰ ফুলঝাৰি মাৰিব নালাগে
আৰু
কাম কেৱল কাম কৰা.........
ভাবিবা এবাৰ
মেৰুদণ্ডই যদি নাথাকে
কৃষকেই যদি নাথাকে
তুমি থাকিবা ক'ত
থাকিবা ক'ত তুমি
তাছপাতৰ দৰেই খহি পৰিব দুৰ্গ
জাহ যাবা এদিন আমাৰ দৰেই
সময় থাকোঁতেই যদি নকৰা সংশোধন
সাৱধান
সাৱধান

# সূৰ্য্য

অঞ্জনা বৰুৱা
ডিব্ৰুগড়

পোহৰ ভালপোৱা মানুহ মই,
পোহৰ বিচৰাজনো মোৰ প্ৰিয়
লগেভাগে কাটি যাওঁ এন্ধাৰৰ পাখি,
দূৰন্ত এজাক দূৰৈৰ পৰাই সাক্ষী।

এন্ধাৰ যিমানেই আগুৱাই আহে
তড়িৎ গতিত মোৰো জেদ বাঢ়ে,
পোহৰত দিয়া দুখোজ চাৰিখোজ
এন্ধাৰত দহখোজ হৈ পৰে।

মোৰ মন সততেই শুকুলা বৰণ
এমুঠি ছটিয়াই যাওঁ এন্ধাৰৰ বাটে,
খুপি খুপি খোজ দিয়া এন্ধাৰৰ মন
পোহৰৰ বাটত যাতে ৰ' লাগে।

পোহৰ আপুনিও যদিহে ভালপায়
যদিওবা বাট হয় সুদূৰ চকামকা,
সাৰটি লওক তাৰেই এজোলোকা
পাৰ হ'ব খালডোং অবাধ মৰীচিকা।

# ইয়াত এখন চহৰ আছিল

বিপুল শৰ্মা
ধেমাজি

ইয়াত এখন চহৰ আছিল
চহৰখনৰ ৰাস্তাত— গাড়ীৰ লানি লাগিছিল
চহৰখনৰ ওখ ওখ ঘৰবোৰত-- সুখৰ নিজৰা বৈছিল
চহৰখনৰ সেউজীয়া গছবোৰত--চৰাইয়ে গীত জুৰিছিল
চহৰখনৰ পাৰ্কত--ল'ৰা-ছোৱালীয়ে খেলিছিল

ইয়াত এখন চহৰ আছিল
ঐতিহ্যৰ গুণ গুণনিত --চহৰখন জিলিকি উঠিছিল
আধুনিকতাৰ পৰশত--চহৰখন বাট বুলিছিল
প্ৰগতিৰ বাটত--চহৰখন গৈ আছিল

ইয়াত এখন চহৰ আছিল
ক্ষমতাৰ খকত--চহৰখন নিঃশেষ হ'ল
বিজ্ঞানৰ বলত--চহৰখন ছাঁই হ'ল

কিমান স্বাৰ্থপৰ হ'লে
কিমান অহংকাৰ হ'লে
চহৰ এখন জ্বলাই ছাঁই কৰি দিব পাৰি

ইয়াত এখন চহৰ আছিল
চহৰখন এতিয়া মৰিশালি হ'ল

চহৰখনত
এতিয়া
চৰাইবোৰে গীত নাগায়
ল'ৰা-ছোৱালীবোৰে নেখেলে
চহৰখন এতিয়া মৰিশালি হ'ল

*(মাৰিয়াপুলৰ বিধস্ত ৰূপ দেখি)*

# শুকুলা চাদৰখন

পল্লৱী গগৈ ইনী
মৰাণহাট

পৰিস্থিতিৰ প্ৰেৰণাতে তেজৰ শেতেলীত তিতা
চকুলোৰে মহুৰা বাটি
দুৰ্বল ভৰি দুখনে গৰকাত ভৰদি
দ্ৰৌৰ্পতিয়ে টাহি টাহি বৈ গৈছিলোঁ হৃদয়ৰ
শুকুলা চাদৰখনি

বাৰিষাৰ বৰষুণ জাকে বাৰে বাৰে এচাৰকণিৰে
তিয়াই
উৰুখা চালিত উলমি থকা বাধাহীন টোপাল
বোৰে চেকাৰে বুলাই যোৱা
শাৰী শাৰী বুটাবোৰে
সাঁচি ৰখা বুকুৰ বৰ পেৰাটেই
সময়ৰ সোঁতত ৰং সলালে।

আলফুলে মেৰিয়াই ললোঁ
দাপোণত জুমি চাই দেখিলোঁ
মিনাকৰোৱা গুণাহৈ জিলিকি আছে।

**ষষ্ঠ ভাগ**

**সম্পাদনা**

মৌচুমী ৰাজখোৱা



# কি উত্তৰ দিবি অ’ প্ৰজাপতি

**মীৰা ৰাজখোৱা**
যোৰহাট

কি যে স্বপ্ন দেখি
ঘূৰি ফুৰিছ অ’ মোৰ প্ৰজাপতি
উৰি উৰি তই যে ভাগৰি পৰা নাই
অ’ মোৰ প্ৰজাপতি
প্ৰজাপতি
তোৰ দৰে মইয়ো ফুৰিছোঁ ঘূৰি
ফুলে ফুলে মৌ চুহি
পোৱা নাই জানো অমৃত মাধুৰী
তই অ’ প্ৰজাপতি
সেউজীয়া প্ৰকৃতিৰ মনোৰম
ৰূপ তৃষা পান কৰি
হেঁপাহ পলুৱা মোৰ নাই কিয়
অ’ প্ৰজাপতি
উত্তৰ দিবি অ’ প্ৰজাপতি
ৰঙা, নীলা, হালধীয়া পাখিৰে
নীৰৱে নীৰৱে উৰি তই
কি বিচাৰি কি যে স্বপ্ন দেখি
ঘূৰি ফুৰিছ অ’ প্ৰজাপতি

# তুমি মোৰ কবিতাৰ নাম

**সত্যজিত গগৈ**
চাচনি, নাহৰকটীয়া

তোমাৰ ওঁঠত ওলমি থাকে
মোৰ সুমথিৰা ভাষাৰ
গুলপীয়া শব্দ।

ব্যাকৰণে ভাষা হেৰুৱায়
আৰু আখৈ ফুটা কথাবোৰ
কবিতা হৈ নামি আহে
তোমাৰ মধুৰ কণ্ঠস্বৰত।

মোৰ অকৃত্ৰিম ভালপোৱা
তোমাৰ কোলাতে শুই থাকে
আৰু কোমল কোমল শব্দই
আখৰা কৰে
সৰু সৰু কবিতাৰ।

আজি এই কবিতাই হ'ল
তুমি মোৰ কবিতাৰ নাম...।

# ‘দুখৰ আল্পনা’

প্ৰাণজিৎ ৰায় চৌধুৰী
ছয়মাইল, গুৱাহাটী

সময়ৰ গতিধাৰাত
বুৰ যোৱা ক্ষণবোৰে
আমনি কৰে।
নিৰাশাৰ আশাবোৰ
মুৰ তুলি চায় ।
ভাললগা ভালপোৱাবোৰ
বুৰ যাব খোজে
সেউজীয়াৰ মাজত।
দুখবোৰ গুজৰি গুমৰি উঠে
সেয়ে দুখৰ দিনতো আঁকো
মধুৰ আল্পনা
সুখ-দুখৰ ভাজত।

# এমুঠি জোনাক বিচাৰি

**মনীষা শইকীয়া (বানী)**
গোলাঘাট, পুৰণা আমোলাপট্টী

চকা-মকা এন্ধাৰৰ আঁচল আঁতৰাই
নিশব্দতাৰ মাজেৰে মই আগুৱাই গ'লো
এমুঠি প্ৰেমৰ সুৱাস
আৰু... ৰাতিৰ জোনাক বিচাৰি!
নাই জনসমুদ্ৰৰ কোলাহল
নাই যান্ত্ৰিকতাৰ ভিৰ
মাথোঁ মই আৰু মোৰ ছাঁ
এখন বাস্তৱ সুন্দৰ পৃথিৱী!
জীৱনটো এক প্ৰত্যাহ্বান
মই যুঁজাৰু
হাঁহি হাঁহি আগুৱাও
মোৰ জীৱন বাটত!
কেতেকীজনীৰ বুকুত ৰঙীন সপোন
অপেক্ষা প্ৰিয়তমৰ,
বতাহৰ হাঁহিত সৰি পৰে প্ৰেম
প্ৰাণ পাই উঠে যৌৱনা প্ৰকৃতি!
মলয়াজাকে সানি দিয়ে
প্ৰেমৰ অবিৰ
প্ৰেমৰ আলিংগনত
ডুব যায় জোনাকী ৰাতি।
এজাক চিপচিপিয়া বৰষুণে
তিয়াই দিলে হৃদয়
জীপাল হ'ল উদং বুকু,
প্ৰেম, অনুভূতি, আশা
তাতেই আছে এখন
সুন্দৰ-বাস্তৱ প্ৰেমৰ পৃথিৱী।
এটি নতুন জীৱন
য'ত হাজাৰ আশাই
বাস্তৱ পৃথিৱীত সপোন ৰচে
য'ত এন্ধাৰে পোহৰৰ বাট
বিচাৰিবলৈ
জোনাকী পৰুৱা হৈ সুযোগ দিয়ে,
আগুৱাই যাওঁ নিশব্দে
মোৰ ভাল লগা চিনাকি বাটেৰে
সৰাপাত গচকি-গচকি
ৰাতিৰ প্ৰেমৰ সুৱাস
আৰু..এমুঠি জোনাক বিচাৰি!

# মা

**ব্ৰহ্মদেৱ গোস্বামী**

একো আৰু নালাগে মোক
বিচৰা নাই ৰাজ কাৰেং
মানুহ হিচাপে জীয়াই থাকিবলৈ
মোৰ হৈ যিখিনি কৰিলা
সেয়াই যথেষ্ট
আৰু মোক নালাগে সোণৰ সোলেং।

দহ মাহ দহ দিন উদৰত ৰাখি
চিনাকি কৰালা এই বিশ্ব বিনন্দীয়া
বুকুৰ অমৃত খুৱাই
পাৰ কৰালা শৈশৱৰ দেওনা
কেৱল সেয়াই নে
থুপুক থাপাক খোজ কাঢ়ি
থুনুক থানাককৈ মাত মতাৰে পৰাই
চিনাকি কৰাই দিলা
অসমীৰ শুৱনি ভাষা অসমীয়া।

কবলৈ শিকাইয়ে ক্ষান্ত নহ'লা তুমি
শিকালা হাতত ধৰি অ আ ক খ
পথৰ সাৰথি হৈ ছাঁৰ দৰে লাগি
দেখুৱালা পথ ভৱিষ্যতৰ
পাহৰি যোৱা নাই তাক মই অন্ততঃ।

কৈশোৰ অতিক্ৰমি
যৌৱনত ভৰি দিয়ালৈকে
মোৰ বাবে তুমি কৰা নাই কি
নোৱাৰোঁ শুজিব ধাৰ ইহজনমত
ধন, সোণ ,মণি, মুকুতা দি,
তুলনা নহয় একো
তোমাৰ মৰমৰ লগত
যদিও তোমাৰ শুশ্ৰূষাত ৰৈ গৈছে
ত্ৰূটি
আক্ষেপ নাৰাখিবা মনত
কামনা কৰিছোঁ মা পৰজনমত
জনম লওঁ যাতে পুনৰ তোমাৰ
উদৰত।

# কবিতা

অৰ্পিতা লাহন চেতিয়া

অনুভৱী হৃদয়ৰ তপোবনত
যেতিয়া কুঁহ মেলে শব্দৰ মালিতা
ভাৱনাবোৰে ঐৰাঙে দৈৰাঙে
খেপিয়াই লিখি যায় ছন্দোময় ভাষাৰে
অনুভৱৰ এলানি
সৰু সৰু এটি দুটি শব্দইও প্ৰাণ পাই
অনুভৱী হৃদয়ৰ কবিত্বময়ী ভাৱনাত
উদাসীনতা দুখ সুখক সাঙুৰি
ভাৱনা শৈলীয়ে সজাই তোলে
জীৱনৰ বাটে বাটে নতুনত্বৰ ছবি
পাঠকৰ অন্তৰ পৰশে
জীৱন জীয়াৰ সংজ্ঞা বিচাৰি পায়
ভিন্ন উৎসক সামৰি মনৰ মাজত
জুকিয়াই একুঁকি শব্দক সজাওঁ
তেওঁ মই আমিবোৰে
শব্দৰ মধুব্যঞ্জনাৰ গাঁথনিৰে
উকা কাগজৰ প্ৰতি পৃষ্ঠা

# তাইৰ খোদিত ভাস্কৰ্যবোৰ

**হৰেন দুৰৰা**
টিংৰাই, তিনিচুকীয়া

হাতবোৰক বিশ্বাস কৰি
তাই হাঁহি মাৰি
হাতখন আগবঢ়াই দিয়ে,
হাঁহিৰ প্ৰত্যুত্তৰত এটা আমিষ হাঁহি।
জোনাকত পৰিস্ফুত তাইৰ ভাস্কৰ্যবোৰত
হাতবোৰ ৰঘুমলাৰ দৰে বিয়পি পৰে,
আৰু নিঃশেষ কৰে তাইৰ অস্তিত্ব।
এতিয়া উশাহবোৰ শেষ হৈ
খহি পৰা তাইৰ ভাস্কৰ্যবোৰ স্তূপ হোৱা দেখি
ক্ৰমান্বয়ে আগুৱাই যায় মিছিল।
নিনাদত নামি আহে সাগৰত প্ৰচণ্ড জোৱাৰ
আৰু আকাশত বিয়পে জুই।
সকলোবোৰ বৰ বৰ আখৰৰ শিৰোনাম... ?
কাৰণ,বাতৰি পুৰণি হয়
আৰু ৰঘুমলাৰ উচন হোৱাৰ কথা
বতাহত বিলীন হয়
ৰঘুমলাই আকৌ মেৰিয়াই লয়।
তাইৰ অজানিতে সৰকি অহা বেলিটিক
আৰু কিমান ৰাখিব ঢাকি ?
আমিষ হাঁহিবোৰ নহয় গৰাকীবোৰ উলমি ৰওক
যুঁজাৰুৰ জৰীত।
ভাস্কৰ্য খোদিত তাইৰ লিপিবোৰ ৰ'দ হৈ পৰক বিয়পি।

# আলি আঃয়ে লৃগাং

**লাৱণ্য ৰাণু ফুকন**
উত্তৰ লখিমপুৰ

শেৰালি ঐ
এইবাৰ আলি আঃয়ে লৃগাঙলৈ
নহাকৈ নাথাকিবি দেই
বিশ ফেব্ৰুৱাৰীতে পৰিছে ।
দূৰ-দুৰণীত থকা মাগব'হঁত ,
বাই-ভনী,ভাই-ককাইহঁত আহিব।

অন্ততঃ নগিন আপং নাখালেও
তোৰ বাবে পঃৰ আপং গোটাইছো
অ 'কণাইজনীএ পুৰাং আপিন সিজাব
পৰা হ'ল নহয়;
তই বহু বছৰেই গাঁৱলৈ অহা নাই
আমাৰ গাঁৱৰ চাংঘৰবোৰৰ কাষতে
একোটাহঁত পকীঘৰ সাজিলে।
ছোৱালীবোৰে খেতি কৰা, তাঁতবোৱাৰ
ওপৰিও পঢ়া-শুনাটো আগবঢ়া হ'ল।
এতিয়া আমাক মদ খোৱা, গাহৰি খোৱা,
ডলুৱা মিৰি বুলি কব নোৱাৰে
কাৰণ,অমিচিং সকলেও আজিকালি
বহুতে পঃৰ আপং খোৱা দেখা পাইছোঁ।
ৰাতিলৈ গুমৰাগ পাকচঙত ভাগ ল'বও লাগিব,
সেয়েহে তোলৈ আশাৰে বাট চাই আছো
নিশ্চয় তই নহাকৈ নাথাকিবিহুহু

## সপ্তম ভাগ

**কাৰ্যবাহী সম্পাদক**

উৎপল গোস্বামী



# দ্ৰৌপদীৰ আত্মগাঁথা

কল্যাণী দেৱী গোস্বামী
জালুকবাৰী,গুৱাহাটী

মই,অৰ্জুনৰ অনুৰক্তা,
ভাৰ্য্যা  মই, পঞ্চ- পাণ্ডৱৰ
তথাপিও মই পতিব্ৰতা
মোৰ সতীত্ব গুণত মই, মহীয়সী,
সতী-সাধ্বী সৰ্বদা।
ময়েই পাঞ্চাল দেশৰ পাঞ্চালী
দ্ৰুপদ নন্দিনী  দ্ৰৌপদী নতুবা যাজ্ঞসেনী
বহু বিভূষণ মোৰ যদিওবা,
হৃদয় ব্যথিত হয় প্ৰতিনিয়ত,
অণুৰণন মাথোঁ প্ৰতাৰণা, বঞ্চনা, লাঞ্ছনাৰ ।
অন্ধ মাতৃ-ভক্তিৰে মোৰ প্ৰেমৰ ভাগ-
বটোৱাৰ,
ৰাজ-সভাত কটুক্তি,ককৰ্থনা
নাই কাৰো অনুকম্পা
কেশাকৰ্ষণ, কৰি বিৱসনা,
ক'ত যে লাঞ্ছনাহু
ৰাজবধু মই, বন্দী পাশা-খেলৰ চলনাত।
প্ৰতিজ্ঞা বদ্ধ হৈ মই মুক্তকেশীহু
পঞ্চ পতি মোৰ হৈ ৰয় মৌন,
বৰ বৰ পদবী ৰে বিভূষিত জ্যেষ্ঠ জনৰ
শিৰ হৈ ৰয় নত;
মোৰ লাঞ্ছনাৰ নহয় অন্ত।
দুঃশাসন, জয়দ্ৰথৰ লোলুপ দৃষ্টি,
উৎপীড়নৰ বলি মই,
বাক্যৰ বিষবাণ এৰি
মোক সজাই বহুভোগ্যাৰে কলংকিনী।
হে সখাঁ কৃষ্ণ,
যদিওবা কৰিলা মোৰ লজ্জা নিবাৰণ,  কটূক্তি,
ককৰ্থনাৰ নকৰি প্ৰতিবাদ,
মৌন হৈ ৰ'লা  কিয় ভৰা ৰাজসভাত?
মই বিদুষী নাৰী নাপাঁও একো সমিধান ।
হে সঁখা কৃষ্ণ,
সুভদ্ৰাৰ  অনুৰাগ অৰ্জুনৰ প্ৰতি,
তোমাৰ ভগ্নী হেতু
হাঁহিৰে দিলা স্বীকৃতি
মাথোঁন তৃতীয় পাণ্ডৱক কৰোঁৱালা বৰণ!
নাৰীৰ সুখ চিৰবাঞ্ছিত, মোক কৰিলা কিয়
বঞ্চিত।
স্বামীকুলৰ ধাৰাৰ প্ৰতীক,
 অৰ্জুন-সুভদ্ৰানন্দন অভিমন্যুৰ ,পুত্ৰ
পৰীক্ষিত।
আকাঙ্খিত প্ৰেমৰ ,স্বাক্ষৰ বহন কৰি
অৰ্জুনৰ ঔৰসজাত সন্তানৰ জননী হোৱাৰ
স্বপ্ন,
শূন্যতাৰে হ'ল পূৰ্ণ, হৃদয় মোৰ যন্ত্ৰনা-দগ্ধ।
ই তোমাৰ কেনে যুক্তি অদ্ভুত , দুৰ্বোধ্য।
হে সঁখা কৃষ্ণহু
পঞ্চ বীৰ পুত্ৰৰ জননী আছিলো  মই
মোৰো আছিল তেজৰ সামৰ্থ্য,
কলিতেই মৰহিল শত্ৰুৰ ধাৰাল আঘাতত ।
মই, নাৰী শ্ৰেষ্ঠা পাঞ্চালী
শুনিব কোনে মোৰ মৰ্মন্তুদ কাহিনী।
ৰাজসভাত মোৰ বিলাপে কাৰোবাৰ হিয়াত
তুলিছিল নে কঁপনি?
মই মহাভাৰতৰ কিংবদন্তী।।
আকাংক্ষিত ইচ্ছা মোৰ মৰহি শুকাল
মাতৃ ধাত্ৰীৰ

# চাদৰ

ৰীতা বৰুৱা

পিতায়ে হাটৰ পৰা আনি দিয়া
হেজাৰ পকোৱা সূতা
উঘাই বাতি কৰি
আয়ে তোক বৈছিল
তাঁতত

আইৰ সেওঁতাৰ সেন্দূৰ যেন
ৰঙা পাৰি
কেঁচ বছা আঁচল আৰু
দেহত আকাশৰ তৰা বাছি
আয়ে তোক পিন্ধোতে
পিতায়ে আইলৈ
ৰ লাগি চাইছিল
নিশালৈ বৰষুণ নামিছিল
পিতাই আজি আৰু নায়।
গুচি গ'ল হ'বলৈ আকাশৰ তৰা
আৰু সিদিনাই ওচৰৰে
খুৰী বৰমাহঁতে খুলি পেলালে তোক
আইৰ দেহৰ পৰা

তেতিয়াৰে পৰা তই আছগৈ
আইৰ পেৰাৰ তলিত
বুকুৰ ভাঁজে ভাঁজে সামৰি
আই আৰু পিতাইৰ
সুখৰ সুৰীয়া দিনবোৰ ।

# অনন্তধামলৈ আমন্ত্ৰণ

ৰিণ্টি শৰ্মা
গুৱাহাটী

অৱৰুদ্ধ আত্মাৰ অশ্ৰু বন্যাত
আছে আশাৰ অলি ।

অনুভৱ অনুপম
অনুভূতিৰ অনুকম্পন
অজান আৱেগৰ
অস্ফূট আৰ্তনাদ
আশাৰ অভিনৱ আৱিষ্কাৰ।

আকাশলঙঘী আকাংক্ষা
অস্ত আকাশৰ আন্ধাৰত
আৱদ্ধ অৱচেতনা
আৱেগৰ অনুৰণন
অশৰীৰী আত্মাৰ অম্লান অশ্ৰু।

আশাৰ অগ্ৰগতিত
অনাবিল আনন্দ
অমানিশাৰ আকাশত
আছে অজান আতঙ্ক
অনিৰ্বাণ আহুতিৰ আয়োজনলৈ
অতৃপ্ত আত্মাৰ
আমন্ত্ৰণ অনন্তধামলৈ
আত্মা আগুৱাইছে অহৰ্নিশে

আহ ঔ আহ আহ আহ!

# যি বাটেৰে তেওঁ আহিছিল

ৰীতা ৰাণী মালী
তেজপুৰ

মানুহজনে
কোনো দিনে নাজানিছিল
নিজৰ ঘৰখন কেনেকৈ চলিছিল
তেওঁ নাজানিছিল
পত্নীয়ে কেনেকৈ ঘৰখন চলোৱাৰ নামত
বহু নিশা উজাগৰে কটাইছিল...
তেওঁ কোনোদিনে নেদেখিছিল
পত্নীৰ ক'লা পৰা চকুৰ গুৰি
আৰু শুকাই যোৱা অশ্ৰুৰ টোপালবোৰ
নীৰৱে বৈ অহা হুমুনিয়াহবোৰে
তেওঁক কোনো দিনে বিচলিত কৰিব পৰা নাছিল
তেওঁ মাথো জানিছিল
আশে-পাশে জী উঠিবলৈ লাগে এধানি পোহৰ
বুজি উঠিছিল নিজে ত্যাগৰ এটি মূৰ্তি হ'বলৈ
সেয়ে মানুহজনে
নিতৌ পুৱা কান্ধত মোনাটো লৈ দীঘল খোজেৰে
অবিৰত যাত্ৰা আৰম্ভ কৰিছিল
কণ-কণ শিশুৰ পৃথিৱীখনত তেওঁ যে আছিল
এখন আকাশ অথবা এজোপা গছ
তেওঁ আছিল জ্ঞানৰ জ্যোতিধাৰা
এজোপা বটবৃক্ষ হৈ তেওঁ বহুদূৰ লৈ গৈছিল
কণ-কণ শিশুক।
জ্ঞানৰ পৰিধি বিশাল কৰা মানুহজন
শিশুহঁতৰ চকুৰ মণি হৈছিলগৈ----
দোপাল-পিটা বৰষুণ জাক মূৰৰ ওপৰত লৈও তেওঁ
কোনোদিন ভাগৰা নাছিল ।
শিশুৰ পৰা ক্ৰমশঃ ছাত্ৰ হ'বলৈ ধৰা সকলৰ ওচৰত
শিপাইছিল গভীৰৰ পৰা গভীৰতৰলৈ...
এটি পৰিচয়...
"গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ"
বুৰঞ্জীয়েও তাকে কয় ।

# আপুনি মোৰ প্ৰেমত নপৰিব

ৰীণু বৰঠাকুৰ
ভেটাপাৰা, গুৱাহাটী

আজিয়েই কৈ থওঁ
আপুনি মোৰ প্ৰেমত নপৰিব।
মোৰ আশে পাশে
মোৰ লগে লগে
আপুনি থাকক।
কিন্তু
প্ৰেমৰ বান্ধোনেৰে
নেবান্ধিব মোক।
উশাহবোৰ প্ৰেমত
বিষাক্ত হয়।
নিশাহবোৰ প্ৰেমত
কলুষিত হয়।
হৃদয়ৰ বান্ধোন হয়
আত্মবিশ্বাসৰ বলিদান।
প্ৰেমত পৰিলেই
কৰিব লাগে
অপমান অপবাদৰ
সুৰাপান।

# চিনিক

ৰুবুল দাস
দেউৰীগাওঁ, তেজপুৰ

*"A cynic is a person who knows the price of everything but the value of nothing" ----Oscar Wild*

এদিন নীৰে মোক সুধিলে 'এবটল পানীৰ দাম
কিমান?'
মই ক'লো ভালেই কৰিলা
আধান খাই পেলাই দিয়াজনক নুসুধি মোক
সুধিলা।

পিয়াহত থকাজনক সুধিবা
পানীৰ দাম কিমান?

সি ক'লে
গোটেই গোলকটো দেখোন নীলা
কোনোবা  পিয়াহত থাকিব কিয়?
মই তাক এই বুলি বুজাব নোৱাৰো
(এই ধৰণী মানুহেৰে ভৰা তথাপি মানুহ
অকলশৰীয়া)

আন এদিনৰ কথা
সি মোক সুধিলে---
এসাজ ভাতৰ দাম কিমান?
মই ক'লো ভোকাতুৰজনক সুধিবা
(হোটেলত, ৰেষ্টুৰেণ্টত, বিয়াঘৰত) উভৈনদী ভাত
দেখা ল'ৰাটোৰে আকৌ সুধিলে
'মানুহ ভোকত থাকিব কিয়?'
কাৰ ভাত কোনে কাঢ়ি খায়
তাক মই কেনেকৈ বুজাওঁ।

# অষ্টম ভাগ

## সম্পাদনা

চবিন চন্দ্ৰ নাথ



# হাঁহিৰ আঁৰৰ ব্যাথা

মুনমী স্নিগ্ধা গুঞ্জন
কলিয়াবৰ, নগাঁও

হাঁহিবোৰ উৰি ফুৰে চৌদিশে
ভাললগাকৈ...
হাঁহিবোৰ আঁৰ চকুৰে চাওঁ,
হাঁহিবোৰৰ আঁৰতো যে লুকাই থাকে
হাজাৰ কাহিনী এঙাৰৰঙী
সুখ দুখৰ যে কিমান ব্যাথা
যি আনে নেদেখা আনে নুবুজা ।

বুকুত থাকে এক যন্ত্ৰণাৰ মন্দিৰ
হাঁহিৰ আঁৰৰ আনে নেদেখা
অসুখ বোৰত ৰং সানি লৈ
সুখী হৈ ধৰা দিব লাগে...

প্ৰতিটো হাঁহিৰ আঁৰত
একোটা জীয়া কাহিনী লুকাই থাকে
প্ৰাপ্তি-অপ্ৰাপ্তি, সুখ-দুখ
অথবা অলপ মৰম ভালপোৱাৰ ।

হয়তো কিমান হাঁহিয়ে যে
উজাগৰে কটাইছে!
কিমানে যে উচুপিছে কত নিশা
আৰু...
পুৱা সাৰ পায়েই
হাঁহিটো মুখতে সজাই লৈ
ৰঙীণ হৈছে সুখী কৰি চৌপাশ ।

# গান গায় ভালপোৱা ছোৱালীজনীৰ দেশলৈ

পংকজ জইসী
গহপুৰ

তাইৰ সুৰ
সৰি থকা নিয়ৰৰ
টোপালৰ দৰে...
তাইৰ সুৰৰ লহৰত
হিয়াত গোট মাৰি থকা
বৰফ চেঁচা বিষাদৰ টুকুৰাটো
গলি গলি সৰি পৰে
চকুলো হৈ ...
বিষাদৰ চকুলো তেতিয়া
সুখ হৈ সৰে;
তাইৰ জিভাৰ কমপনত
সৃষ্টি হোৱা শব্দৰ
পৰশে দিয়া সুখ ।
আস !
সেয়াই হেনো 'সুখৰ চকুলো'
তাই নাম দিছে।
মযডো তাইৰ সৈতে
সুৰত সুৰ মিলাও কেতিয়াবা ..
মোৰ সুৰত হেনো
ভাগৰুৱা উশাহ বোৰ সৰকি পৰে,
তাই কয় ।
'গানে সুখ আনে'-
মই তাইক কওঁ;
সুৰৰ লহৰবোৰত
ভাগৰখিনি বৈ যায় উশাহ হৈ,
আৰু মই,তাইৰ সুৰৰ সুগন্ধি খিনি
মোৰ উশাহতে সামৰি ভটিয়াই যাও
তাইৰ গানৰ দেশলৈ ..
বেণী গুঠা চুলিটাৰি লৈ
পখিলাৰ সতে উমলি থকা
দিনৰে পৰাই
তাইৰ গানৰ সৈতে মোৰ চিনাকি;
'অ চিত পখিলা পাখি যে দুখিলা' ..
মোৰ আজিও মনত পৰে
তাইৰ কোমল দুটি ওঁঠৰ
সেই গুনগুন !
মাকে বান্ধি দিয়া
ৰঙা ফিতাডাল লিৰিকি লিৰিকি
তাই গাইছিল
'আজলী ছোৱালী নানা ফুলে তুলি' ..
আজিও শুনি যাও
তাইৰ সেই যাদুকৰী সুৰৰ
মোহনা,
কিছু ক্ষণ স্তব্ধ হৈ ৰয়
মোৰ হৃদয়ৰ ধপধপনি !
তাই মোৰ বুকুত হাত দি
চুই চায় আৰু কয়-
ৰাহ !
কি অভিমানী তোমাৰ হৃদয় .. ?
মই কওঁ-
তোমাৰ গানৰ আকুলতাই
মোৰ দৰে
হেজাৰজনৰ হৃদয়
অভিমানী কৰি তুলিব পাৰে ..
তাই জানে,
মোৰ মনৰ সৰল হেঁপাহবোৰৰ
কথা;
সেয়েহে আজিও তাই
মোক লৈ গুছি যায়
সেই গান গায় ভাল পোৱা
ছোৱালীজনীৰ দেশলৈ .. ।

# বানে গৰকা গাঁওখনি

সুমিত্ৰা দাস
গহপুৰ

বানে গৰকা
মৰমৰ গাঁওখনিৰ
জৰাজীৰ্ণ অৱস্থা দেখি
বুকুখনে আজি
হাহাকাৰ কৰি উঠিছে...

খেতিয়কৰ অতিকৈ আপোন
সেউজীয়া পথাৰখনিত আজি
নিষ্ঠুৰ সংহাৰী বানে
যেন এখনি শুকুলা চাদৰহে
মেলি থৈছে...
খাদ্যৰ তাড়নাত
পথৰ দাঁতিতে
বাহৰ পাতি থকা জীৱ জন্তুৰ
যন্ত্ৰণা কাতৰ চিৎকাৰত
অন্তৰখনে আজি
উচুপি উচুপি কান্দিছে...
এমুঠি আহাৰ
অকণমান বস্ত্ৰৰ অভাৱত
কণ কণ শিশুহতঁৰ
শুকাই থকা মুখায়ৰ দেখি
দুচকুৱে আজি
অশ্ৰুৰ নিজৰা বৈছে...
সময়ৰ বুকুত এদিন
ধনে ধানে উপচি থকা
ভৰপূৰ গাঁওখনৰ
আজি এই ৰূপ দেখি
মনৰ মাজত যেন
এজাক ধুমুহাৰহে সৃষ্টি হৈছে।

# ধুমুহা হৈ অহা কিয় তুমি

অনুপম দাস
গহপুৰ

ধুমুহা হৈ অহা কিয় তুমি
হৃদয়ত উঠে লহৰ মোৰ
মনো অস্থিৰ
মাথো তুমি তুমি ভাৱনাই থাকে বেৰি।

ধুমুহা হৈ অহা কিয় তুমি
হৃদয়ৰ বননিত মোৰ
তল সৰা সুবাস দিবলৈ
মন উগুল থুগল কৰি

ধুমুহা হৈ আহি তুমি
মোৰ মন ফুলনিত
ফুলি ৰুৱা তোমাৰ
প্ৰেম নামৰ বট বৃক্ষজোপা
কিয় যোৱা নিমিষতে উভালি ।

ধুমুহা হৈ অহা কিয় তুমি
মৌচুমী হৈ আহা
জোৰাবা মোৰ
হৃদয়ৰ বকুল বননিত,
নিশা সৰগৰ তৰাই
কৰিব আঁৰতি
নিয়ৰৰ মুকুতাই
জনাব পুৰা আদৰণি ।

ধুমুহা হৈ অহা কিয় তুমি
হৃদয়ত দিবলৈ আঘাত
মৌচুমী হৈ আহি
যোৱা না থৈ আঁকি তোমাক
মোৰ কুসুম কোমল
হৃদয়ৰ সেউজীয়া বননিত,
যিয়ে বিলাব সুগন্ধি
শেৱালীৰ সুবাস
মোৰ হৃদয়ত পুৰা গধূলি।
ধুমুহা হৈ অহা কিয় বাৰু তুমি?

# চশমা

কিৰণ দাস
মাজুলি

মোৰ সমাজক আজি এজোৰ
নতুন চশমাৰ প্ৰয়োজন... ।
দৃষ্টিদোষ দূৰ কৰি,,
নৱযুগৰ নতুন জগত দৰ্শন কৰিবলৈ ।

কৌশলীয়ে কৌশলগত ভাবে
তাহানিতে জোৰেৰে পিন্ধাই দিয়া
শতিকাৰ কুটিল  অৱদমন নিষ্পেষণৰ
ফ্ৰেমত লাগি থকা ঘোলাপৰা
স্বচ্ছতাহীন কাচৰ টুকুৰা দুটা দলিয়াই
বৰ্তমানৰ বাস্তৱৰ দুনিয়াক  চাবলৈ
মোৰ সমাজক আজি
এজোৰ অন্তদৃষ্টি সমৃদ্ধ
নতুন চশমাৰ অত্যাবশ্যক ।

বুজি পোৱা নাই আজিও
মোৰ সমাজৰ অগননে
তেওঁলোকে পিন্ধি থকা
পুৰণি চশমাই-
কৰা নাই দূৰ তেওঁৰ দৃষ্টি ভ্ৰম
কৰা নাই সুৰক্ষা দুচকুৰ মণি
দিয়া নাই সৌন্দৰ্য্যতা মুখমণ্ডলৰ ।

খুলিও চোৱা নাই---আজিও
মোৰ সমাজৰ বহুজনে
সেই কুটিল ঘোলাপৰা চশমা
দেখা পাবলৈ নিজৰ শৰীৰৰে দাগ
আৰু
প্ৰগতিৰ দিশে যোৱা যুগান্তৰৰ বাট

# আমি এজাক ধৰ্ষিতা

কাঞ্চন সাউদ বৰা
লঙ্কেশ্বৰ, গুৱাহাটী

কিমান দিন আহিবি তহঁত মোৰ কাষলৈ ?
মোক কিমান দিন স্পৰ্শ কৰিবি ?
মোৰ দেহৰ উতলি থকা যৌৱন উপভোগ
কৰি
উঁইচিৰিঙাৰ দৰে জ্বলি জ্বলি শেষ হবি এদিন।
এনেকৈয়ে এদিন দুদিনকৈ নিশেষ হ'ব
তহঁতৰ আভিজাত্যৰ পাহাৰখন।
তহঁতে মোক সজালা এগৰাকী ধৰ্ষিতা,
চোৱা মোৰ চোলাটো ফাটি-ছিটি গৈছে।
এয়া তেজৰ চেঁকুৰাবোৰ গোট বান্ধিছে।
তহঁত এজাক হিংস্ৰ পশু,
সতীত্ব হৰণেই তহঁতৰ প্ৰবৃত্তি।
দিনত সমাজৰ নামী-দামী এজন ভদ্ৰলোক
ৰাতি হ'লে সুৰাৰ ৰাগীত
মাতাল এজাক মুখা পিন্ধা নৰপিশাচ।
তহঁতৰ মাতাল আক্ৰমণত
আমি এজাক নিৰ্দোষী ধৰ্ষিতা।
আমিবোৰ এতিয়া পথভ্ৰষ্ট পথিক,
উচুপনিত হিয়া আমাৰ জৰ্জৰিত
সঠিক নাই আমাৰ ঠিকনা।
আমাৰ ভৰ যৌৱন,
এতিয়া কলুষিত।
আমাৰ পৰিচয় এতিয়া,
পতিতালঞ্জয়ৰ এগৰাকী পতীতা
তাতেই  আমি সন্তুষ্ট।
কিয়নো আমাৰ সান্নিধ্যলৈ আহে
বহু নামী-দামী মুখা পিন্ধা ভদ্ৰলোক।
এয়াই আমাৰ জীৱনৰ ইতিবৃত্ত
আমি এজাক ধৰ্ষিতা।
ভদ্ৰ সমাজৰ নষ্ট চৰিত্ৰৰ
মানুহ এজাক আমাৰ চিনাকি।।

# আলই-আথানি স্বপ্ন আৰু জীৱন

**শংশাকৰ বৰুৱা**
গহপুৰ, বৰঙাবাৰী

তোমাৰ দুচকুত দেখা সপোনবোৰ
কেতিয়াবা চক্ৰবেহু এটা হৈ ঘূৰি ফুৰে মোৰ
চাৰিওফালে
বৃত্তকাৰে

কোনে কয় প্ৰেম আছে ?
এইবোৰ হিয়াৰ মীমাংসাহে মাথো
সকলোবোৰেই কেৱল অংক
তোমাৰ আৰু মোৰ সৃষ্টিও অংকতেই
মাথো আমিবোৰ এদিন শেষ হোৱা
এটি-এটি সমীকৰণ

তোমাৰ দুচকুত দেখা সপোনবোৰ
কেতিয়াবা ধূলিকণা হৈ ঘূৰি ফুৰে
মোৰ চাৰিওফালে
বৃত্তকাৰে

লাহে-লাহে জীৱনক বুজিব পাৰিলো
তুমি ভাঙোনমুখী স্বপ্ন হোৱাতহে
মই তোমাৰ দৰে হ'ব নোৱাৰিলো
আৰু তুমি মোৰ দৰে
এতিয়া তুমি সাথৰ হোৱা বাৰে-বাৰে ঢ

তোমাৰ দুচকুত দেখা সপোনবোৰ
কেতিয়াবা মেঘ হৈ উৰি ফুৰে
মোৰ আকাশেৰে
বৃত্তকাৰে

# কিয় প্ৰকাশ কৰি থাকিব লাগে বাৰে বাৰে

বসন্ত নিবিড়
নলবাৰী

কিয় প্ৰকাশ কৰি থাকিব লাগে বাৰে বাৰে
যে তেওঁ  তোমাক কিমান ভালপাই ?
কথাৰ আৰম্ভণি কৰিব নজনা ল'ৰা জনে
তুমি কথা কোৱাৰ সুযোগ নোপোৱা কৰি পেলোৱা সময় খিনিয়ে জানো প্ৰমাণ নহয়
তেওঁ তোমাক কিমান ভালপাই ?

তুমি ভবাৰ দৰে নহ'য় কথা বোৰ
তোমাৰ এযাৰ মাত শুনিবলৈ তেওঁ হেজাৰ নিশা গান শুনি পাৰ কৰি দিব পাৰে
অথচ তোমাক "কেনে আছা " বুলি সুধিব নোৱাৰিব পাৰে কোনোদিনে ,

তেওঁ তোমাৰ আঙুলিত ধৰি গোটেই মহানগৰ ঘূৰি ফুৰিব নোৱাৰাৰ যন্ত্ৰণাত
গোটেই দিনটো নদীৰ ঢৌ চাই বহি থাকিব পাৰে
অথচ তোমাৰ আগত প্ৰকাশ নকৰিব পাৰে
যে তেওঁ তোমাক কিমান ভালপাই ?

তেওঁ তোমাক নক'ব পাৰে কোনোকালে
আহা আকৌ এবাৰ উজনি মুৱা ৰেল খনৰ এটা ডবাত তুমি
আন এটা ডবাত মই বহি
হেৰাই যাওঁ অগণন যাত্ৰীৰ মাজত
তুমি মোৰ চকুত
আৰু  মই তোমাৰ বুকুত ...

নক'ব পাৰে তোমাক মুখ খুলি
আহা আকৌ এবাৰ দীঘলী পুখুৰী পাৰৰ সেই শুকান ৰুটি বেচা বাইদেউ গৰাকীৰ বেঞ্চখনত বহি
তোমাক আকৌ এবাৰ নতুনকৈ চাওঁ
আহা আকৌ এবাৰ আধা লিটাৰ পানী  বটল এটা দুয়ো ভগাই খাওঁ
ভালপোৱাৰ আলাপ অবিহনে তোমাৰেই প্ৰেমিক হৈ মৰি যাওঁ,
তেওঁ তোমাক একোৰেই নক'ব পাৰে,

কিয় প্ৰকাশ কৰি থাকিব লাগে বাৰে বাৰে
যে তেওঁ তোমাক কিমান ভালপাই ?
হয়তো কথা বোৰ এনেকুৱাও হ'ব পাৰে
তেওঁ সুখী হ'ব বিচাৰে
অথচ তোমাক কব নোৱাৰে,
যে তুমি অবিহনে তেওঁৰ কোনো অস্তিত্ব নাই,
তেওঁ কলিজা ফালি দেখুৱাই দিলেই তুমি দুখী হ'বা বুলিয়েই কিজানি
হাঁহি হাঁহি নিশব্দে নীৰৱে নিঃশেষ হৈ গৈ আছে তেওঁ
তাৰ খবৰ জানো তুমি ৰাখিছা নে আন কোনোবাই ৰাখিছে?
তেন্তে কিয় প্ৰকাশ কৰি থাকিব লাগে বাৰে বাৰে
যে তেওঁ তোমাক কিমান ভালপাই?

তোমাৰ পাপ লাগিব বুলিয়েই তেওঁ আজিকালি
সোনকালে শোৱাৰ অভিনয় কৰে
ঈশ্বৰৰ চকুত ধূলি মাৰে
ইয়াতকৈ আৰু এজন প্ৰেমিক এনে কি প্ৰমাণ কৰিব পাৰে
যে তেওঁ তোমাক কিমান ভালপাই?

**সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি**

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

‘সহস্ৰ কবিৰ সহস্ৰ কবিতা’ এই গ্ৰন্থখনি আমাৰ এক বিনম্ৰ প্ৰয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ’ব পৰা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ’ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ’ব।

আমাৰ বিনম্ৰ প্ৰয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্ৰজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্কৰণসমূহ একত্ৰিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্ৰন্থখনি ছপা আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com